# Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/165 | Language of work: Assamese |
| Author (s) / Editor (s): Lakshinath Bezbaruah | |
| Title: বাঁহী | |
| Transliterated Title: Baähai | |
| Translated Title: | |
| Place of Publication: Kalkata (Calcutta) | Publisher: Editor. |
| Year: 1913, 14, 15, 16, 17, | Edition: |
| Size: 21 cms | Genre: Magazine |
| Volumes: IV, V, VI, VII, VIII | Condition of the original: Brittle. |
| Remarks: 1st 2 volumes reprinted in the year 1999. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

৮/৩ অষ্টম বছৰ

বিষয়

গীত
সম্পাদকৰ চৰা
গুৱাহাটী অসমীয়া ছাত্ৰ সন্মিলন
অসমীয়া ছাত্ৰৰ সাহিত্য সন্মিলন
বিলাতৰ কথা
ৰজাঘৰীয়া দুখনি চিঠি
দ্ৰৌপদী আৰু সত্যভামাৰ কথোপকথন
কইনা-ঘৰে খালে লেৱা নাম
At Home আৰু Not At Home
গীত
পৃথিৱী
মঙ্গল প্ৰাৰ্থনা
বাটচৰা
বাতৰি
গদ্য-কবিতা

## গীত।

(আজি) তোমাৰ প্ৰেমৰ মহা আকৰ্ষণে আনিছে হে আই টানি,
ই মহামিলন দেখি গম্ভীৰে আশীষিছে নীলাচল যোগীবৰে,
উমানন্দ-কমণ্ডলুৰে ঢালে শান্তিয়ন পানী।
দিয়াচোঁ জননী তোমাৰ পুৰণি অমোঘ মন্ত্ৰ দান,
সেয়েঁ৷ শ্ৰীচৰণ তব সন্তানে হিন্দু মুছলমান।
কেনে প্ৰশান্ত সৌম্য মূৰতি আছা তুমি আই ধৰি ;
চৌৱৰ তোমাৰ শীতল মলয়, শিতানত লৈ আছা হিমালয়,
বয় শিৰে শিৰে পুণ্যপ্ৰবাহ তোমাৰ অঙ্গ ভৰি।
দিয়াচোঁ ... ... ... ...
যদিও নিজান হোমাৰ আকাশ জিলিকে ইয়াতে তৰা ;
জিলিকি কতনো মহাকবি, সতী, ধৰ্ম্ম কৰ্ম্মবীৰ, সেনাপতি,
উজলাই তব মুখৰ কান্তি উজলালে বসুন্ধৰা।
দিয়াচোঁ ... ... ... ...
নোহোৱা জননী নিচলা দুখুনী তুমি বসুধাৰ ৰাণী ;
অতীত স্মৃতিৰ মুক্তামণিৰে শোভিছে কণ্ঠ বিমল জ্যোতিৰে,
তোমাৰ তটিনী বিহগকণ্ঠে শুনো মহিমাৰ বাণী।
দিয়াচোঁ ... ... ... ...
অকল আমাৰ চকুত তুমি তো নোহোৱা কাম্যভূমি,

মুনিমনোমোহা তোমাৰ কান্তি তোমাৰ বুকৰ বিচাৰি শান্তি
আহিল বশিষ্ঠ, গালব, গোকর্ণ আদি কত মহামুনি।
দিয়াঁচো … … … …
ধৰাৰ মাজত তুমিয়ে জননী এখনি শুৱনী ধৰা,
কতনো তীর্থ সৰিৎ "সাগৰ," কত দেৱালয়, কত গিৰিবৰ,
আছা কত জাতি বুকত সাবটি অমিয়া-চেনেহ ভৰা।
দিয়াঁচো … … … …
প্রথম জেউতি নভোমণ্ডলৰ লভিলা জননী তুমি,
তোমাৰ দেহতে "জ্যোতি" কণ পৰি ব্রহ্মাণ্ড মাজত পৰিল উফৰি,
গালে জয়গান প্রাগ্‌জ্যোতিষৰ নিখিল মর্ত্যভূমি।
দিয়াঁচো … … … …
আছিলা এদিন তুমি ভাৰতৰ জীৱবীৰ শিৰোমণি;
শিলাদিত্যৰ দানসাগৰত তোমাৰ ভাস্কৰ সবাৰে আগত,
তোমাৰ ভগই কুৰুক্ষেত্রত চলালে অক্ষৌহিণী।
দিয়াঁচো … … … …
তোমাৰ সমান আছে নে কোনোবা জননী ভাগ্যৱতী!
তোমাৰ হস্তে কত জীৱবীৰে সমৰত হাঁহি প্রাণ দিয়ে,
উষা চিত্রলেখা তোমাৰে তনয়া বেহুলা জয়া হেন সতী।
দিয়াঁচো … … … …
তোমাৰ আশীষে তোমাৰ পুত্র শঙ্কলাদিব ৰজা
তুলিলে তুমুল ৰণ তৰঙ্গ দলে হেলাৰঙে বিহাৰ বঙ্গ,
নৰনাৰায়ণ কত্রসি হে উৰালে কীৰিতিধ্বজা।
দিয়াঁচো … … … …
কতনো ভক্তে হৰিনাম ৰসে বোৱালে প্রেমৰ নদী,
মাধৱ শঙ্কৰ কবি গজপতি মাধৱ অনন্ত কবি সৰস্বতী,
কৰিলে ভাষাৰ জগৎ সৃষ্টি ধর্ম-সাগৰ মথি।
দিয়াঁচো … … … …
আনিছোঁ জননী হিয়াৰ অর্ঘ্য তোমাক পূজিম বুলি,



দিয়াঁ দিয়াঁ আই আশীষ নির্মালি হিংসা স্বার্থ দিওঁ সৰে বলি,
পাতিছোঁ হেপাহে জাতীয় যজ্ঞ ভায়ে ভায়ে মিলিজুলি।
শ্রীপদ্মধৰ চলিহা।*

---

## সম্পাদকৰ চৰা।

আসামত প্রচাৰিত বৈষ্ণৱধর্ম্মৰ সম্পর্কে আমি আজি কেইবাবছৰৰপৰা অনেক কথা কৈ আহিছোঁ; তথাপি এতিয়াও দেখা যায় যে অনেকৰ সেই বিষয়ে সকলো কথা ভালকৈ মনত বহা নাই। মাজে মাজে কোনো কোনো লোকে আমাৰ সেই সম্পর্কে কোনো কোনো কথা সুধি এতিয়াও চিঠি লেখে; সেইদেখি আজি আকৌ চমুকৈ আমাৰচেৰেক পুৰণি কথাকে কব খুজিছোঁ। আমাৰ উঠি-অহা ডেকাসকলৰ ভিতৰত সত্য কথা ভালকৈ প্রচাৰিত হওক, আৰু প্রাচীনসকলৰ মনতো সেই বিষয়ে মূল কথাবোৰ ভালকৈ বহক, এইটো আমাৰ আন্তৰিক ইচ্ছা। গতিকে পুনৰুক্তি দোষৰ হলেও অনাবশ্যকীয় নহয় বুলি আমি ভাবোঁ।

***

আর্য্য সভ্যতাৰ আগডোখৰ কালতে যে আসামলৈ ব্রাহ্মণসকল আহিছিল তাত সন্দেহ নাই। অৱশ্যে তেওঁলোকৰ লেখ তেতিয়া আসামত সৰহ নাছিল এইটো অনুমান কৰিব পাৰি। আর্য্যসকলৰ ভিতৰৰ কলিতাসকল, যি কাৰণতেই হওক, প্রথমতে আসাম নিবাসী হোৱা যেন লাগে। সেই কালত আসাম অঞ্চলৰ সৰহভাগ মানুহ যে অনার্য্য আছিল, আৰু তেওঁলোক ভূত প্রেত আদিৰ পূজক আছিল সেইটো বুজিব পাৰি। ফলত আসামত ব্রাহ্মণসকলৰ আর্য্যধর্ম্ম, অনার্য্যসকলৰ কুসংস্কাৰ আৰু দেও-পূজা আদিৰে সৈতে মিহলি হৈ ভীষণ শাক্তধর্ম্মৰূপে নতুন আকাৰ ধৰিলে বুলি অনুমান হয়। ব্রাহ্মণসকলে অনার্য্য ৰজা আৰু ক্ষমতাশালী ৰাজবিষয়াসকলক হিন্দু কৰি, সেই ৰজা আৰু ৰাজবিষয়াসকলৰ উৎপত্তি আৰু বংশৰ গৌৰৱ বঢ়াই তেওঁলোকক ডাঙৰ কৰি, তেওঁলোকৰপৰা অনুগ্রহ ক্ষমতা আৰু সম্পত্তি লাভ কৰিবৰ নিমিত্তে কৃত্রিমপাতি বংশাৱলী ৰচনা নিশ্চয় কৰিলে; কাৰণ

* ১৯১৮ চনত গুৱাহাটীত হোৱা [illegible] অধিবেশনত গোৱা হৈছিল।

অনাৰ্য্য ৰজা আৰু ৰাজবিষয়াসকলৰ মুখৰ গঢ়ত আৰু ব্যৱহাৰত অনাৰ্য্যৰ ছাব স্বভাৱতে নছ-নোপোৱা। নৰক, বাণ, ভগদত্তক ব্ৰাহ্মণ বিৰচিত পুৰাণ আদিত ক্ষত্ৰিয় বংশসম্ভূত বুলিলেও যে তেওঁলোক আচল আৰ্য্য ক্ষত্ৰিয় নহয়, সেইটো ঠিক। সেইদেখি হিন্দুৰ দেৱতা শিৱ আৰু শক্তিৰ পূজা আসামত, নৰক, বাণ, ভগদত্তৰ দিনৰেপৰা চলি আহিছে বোলাটো ঠিক হোৱাটো টান। তামৰফলি আদিত লেখা থকা ৰজাৰ গুণ আৰু বংশাৱলীৰ ওপৰত সম্পূৰ্ণ ভিৰ দি সেইবোৰক ঐতিহাসিক সত্য বুলি ধৰিলে ভুলৰহে সম্ভৱ সৰহ; কিয়নো, মাটিবাৰী ধন-সম্পত্তি দান দিওঁতা ৰজাক প্ৰশংসা কৰি স্বৰ্গত তোলাইহে সেইবোৰৰ ঘাই উদ্দেশ্য। সেইদেখি বলবৰ্ম্ম আৰু ভগদত্তৰ পুতেক বজ্ৰদত্তৰ তামৰ ফলিত তেওঁলোকক শিৱপূজক বোলাটোৰপৰা সেই সময়ত আসামত ৰজা আৰু সাধাৰণৰ ভিতৰত শিৱপূজা প্ৰচলিত থকা বুলি থিৰাং কৰাটো কথাৰ ভেটি হেলেকৃলেক। চীন পৰিব্ৰাজক য়ুৱান-চি-কাই আসামলৈ অহা কালত হিন্দুধৰ্ম্মই আসামত ভালকৈ শিপাইছিল। ভাস্কৰবৰ্ম্মা—ব্ৰাহ্মণ আৰু হিন্দুধৰ্ম্মৰ পৰিপোষক আছিল। বৌদ্ধ সম্ৰাট শিলাদিত্যৰ প্ৰধান মিত্ৰ,আৰু শিলাদিত্য ৰাজসভাত উত্তৰ-ভাৰতৰ আন আন ৰজাসকলৰ মাজত আগশাৰী পোৱা ভাস্কৰ বৰ্ম্মাৰ ৰাজ্যলৈ নিশ্চয় ভাৰতৰ অনেক ঠাইৰপৰা ব্ৰাহ্মণ পণ্ডিত আকৃষ্ট হৈ আহিছিল আৰু তেওঁলোকৰ অনেকখিনি আসামবাসী হৈছিল নিশ্চয়। পোন্ধৰ শতিকাৰ আগভাগত যেতিয়া আহোম ৰজাসকলৰ প্ৰাধান্য পূবত আৰু কোচ ৰজাৰ প্ৰাধান্য পশ্চিমত বাঢ়িছিল, তেতিয়া অনেক ব্ৰাহ্মণ, দৈৱজ্ঞ আৰু কায়স্থৰ বসতি আসামত হয়। তথাপি তেতিয়াও আসামৰ সৰহভাগ মানুহৰ মাজত ভূত প্ৰেত ডাকিনী যোগিনীৰ পূজা,জলশাই থলশাই ডাঙৰীয়াৰ পূজাহে যে প্ৰচলিত আছিল তাৰ উল্লেখ এটাই কেইখন গুৰু-চৰিত্ৰ পুথিতে পোৱা যায়।

•••

শঙ্কৰদেৱ ১৪৪৯ খৃষ্টাব্দত উপজিছিল, আৰু চৈতন্য দেৱতকৈ তেওঁ ৩৬ বছৰৰ ডাঙৰ আছিল। তেওঁ তেওঁৰ প্ৰায় ৩০ বছৰ বয়সত প্ৰথম বাৰ তীৰ্থলৈ যায়, যেতিয়া সম্ভৱতঃ চৈতন্যৰ জন্মই হোৱা নাছিল। চৈতন্যই চৌবিশ বছৰ বয়সতহে তেওঁৰ গাৰ্হস্থ্য-জীৱন পৰিত্যাগ কৰি ধৰ্ম্ম-জীৱন আৰম্ভ কৰে। শঙ্কৰদেৱে সেই দেখি তেওঁৰ প্ৰথমবাৰ তীৰ্থ যাত্ৰাত চৈতন্যক লগ পাই চৈতন্যৰপৰা ধৰ্ম্ম শিক্ষা পোৱাটো অসম্ভৱ। শঙ্কৰদেৱে দ্বিতীয়বাৰ তীৰ্থযাত্ৰা কৰে তেওঁৰ ৮০ বছৰ বয়সত আৰু বৰপেটাৰপৰা। এইবাৰ তেওঁ চৈতন্যক লগ পোৱা বুলি চৰিত্ৰত লেখা আছে



কিন্তু এই ডোখৰ শঙ্কৰদেৱৰ ধৰ্ম্মপ্ৰচাৰৰ শেহ ডোখৰ কাল হে; ইয়াৰ আগেয়েই তেওঁৰ প্ৰচাৰিত ধৰ্ম্মৰ আসামত পূৰ্ণিমা। চৈতন্যদেৱৰ ৪৮ বছৰ বয়সত মৃত্যু ঘটে; সেইদেখি শঙ্কৰদেৱৰে সৈতে চৈতন্যদেৱৰ এই দেখা, চৈতন্যদেৱৰ মৃত্যুৰ তিনি কি চাৰি বছৰৰ আগতে বুলিব লাগে। চৈতন্যদেৱৰ প্ৰচাৰিত ধৰ্ম্মৰে সৈতে শঙ্কৰদেৱৰ প্ৰচাৰিত ধৰ্ম্মৰ যি মূলগত পাৰ্থক্য, সেয়ে ঘাই প্ৰমাণ যে শঙ্কৰদেৱৰ ধৰ্ম্মৰ ধাৰাত চৈতন্যদেৱ নাছিল। আসামত চৈতন্যপন্থীয়া থনদেক স্বকীয়া সত্ৰ আছে। এই সত্ৰকেখনৰ পৃথক অস্তিত্বয়েই প্ৰমাণ কৰে যে শঙ্কৰৰ ধৰ্ম্ম চৈতন্যৰ ধৰ্ম্মৰপৰা অহা নহয়।

•••

শ্ৰীশঙ্কৰদেৱক চৈতন্যদেৱৰ শিষ্য বুলি জোৰা মিলাব নোৱাৰি সেইটো এৰি আজিকালি কোনো-কোনোৱে তেওঁক অদ্বৈতাচাৰ্য্যৰ শিষ্য পাতি জোৰাৰ বেং মাৰিব খোজে। তেওঁলোকৰ সেই কথাৰ authority অৰ্থাৎ মূল তেওঁলোকৰ নিজৰ মানসিক কল্পনাৰ বাহিৰে কতো পোৱা নাযায়। বঙ্গদেশৰ কোনো পুথিত নাইবা আসাম দেশৰ কোনোখন গুৰুচৰিত্ৰ পুথিত, আন কি দুইখন দেশৰ জনপ্ৰবাদ বা কিম্বদন্তিতো সেই কথা নাই।

***

চৰিত্ৰ পুথিবিলাকত, শ্ৰীশঙ্কৰদেৱৰ ব্ৰাহ্মণ অনুগামীসকলৰ (followers) ভিতৰত শ্ৰীদামোদৰদেৱৰ বাহিৰেও আৰু কেইবাজনো ব্ৰাহ্মণৰ নাম পোৱা যায়, যি-সকলে শঙ্কৰদেৱৰ ধৰ্ম্মমত গ্ৰহণ কৰিছিল। সেইসকলৰ ভিতৰত ৰত্নাকৰ কন্দলি আৰু ব্যাস কলাই বাপুৰ নাম শুৱিৰেপৰা আছে। শ্ৰীশঙ্কৰদেৱৰ ব্ৰাহ্মণ অনুগামী-সকলে তেওঁক শূদ্ৰ বুলি জ্ঞান কৰা নাছিল, তেওঁলোকে শ্ৰীশঙ্কৰদেৱক ঈশ্বৰৰ অংশ অৱতাৰ বুলিহে জ্ঞান কৰিছিল। তেওঁৰ ব্ৰাহ্মণ চৰিত্ৰলেখক এজনে লেখিছে, তাৰ সাৰ :—মই সভাসদসকলক কওঁ যে শঙ্কৰদেৱৰ চৰিত্ৰ শুনিলে কলিমল দূৰ হয়। শ্ৰীকৃষ্ণ আৰু শ্ৰীশঙ্কৰৰ মাজত প্ৰভেদ নাই। দুইবো চৰিত্ৰ কথা শুনিলে সকলো পাপ নাশ হয়।—পঢ়িলেই বুজিব পাৰি যে এইসাৰ শঙ্কৰদেৱৰ অকল গুণ গ্ৰাহীৰ ভাষাই নহয়, তেওঁৰ নিষ্ঠাবান শিষ্যৰ ভাষা।

***

আসামবাসী কোনো কোনো বঙ্গালীয়ে শ্ৰীমাধৱদেৱক বঙ্গালী বুলি জাতীয় গৌৰৱ বঢ়াব খোজা দেখা যায়। মাধৱদেৱৰ পিতৃ দীঘলপুৰীয়া গিৰি বাণ্ডুকাৰ মানুহ আছিল হয় ; কিন্তু বাণ্ডুকা যে বঙ্গদেশত সেইটোৰ প্ৰমাণ তেওঁলোকে কত পাইছে কব নোৱাৰোঁ। ধৱলা বা ধলাইৰ পাৰত বাণ্ডুকা আছিল বুলি আমি এথন চৰিত্ৰত পাইছোঁ ; কিন্তু সেই কালত সেই ডোখৰ ঠাই বঙ্গদেশৰ অন্তৰ্গত যে নাছিল সেইটো নিশ্চয়। বিশেষ, মাধৱদেৱে বাণ্ডুকাৰপৰা নাৱেৰে তামোল আনি টেম্বুৱানিত বেহা কৰাৰ কথা চৰিত্ৰত আছে। বাণ্ডুকা টেম্বুৱানিৰপৰা বৰ দূৰ হোৱাহেঁতেন তেনেকৈ তাৰপৰা ঘনে ঘনে টেম্বুৱানিত তামোল-পাণৰ বেহা কৰিবলৈ অহাটো যে সুগম নহয় এইটো সহজে দেখি। এতেকে বাণ্ডুকাক বঙ্গদেশলৈ টানি নি মাধৱদেৱক বঙ্গালী বোলাৰ সুখৰপৰা বঙ্গালীসকল বঞ্চিত হব লগীয়া হে হল।

***

গুৰুচৰিত্ৰ মতে দামোদৰদেৱে শঙ্কৰদেৱক প্ৰথমতে পাটবাউসীতহে লগ পাইছিল, আৰু তাতে তেওঁ শঙ্কৰৰ ধৰ্ম্মমতাৱলম্বী হৈছিল। শঙ্কৰদেৱে দ্বিতীয় বাৰ তীৰ্থলৈ যাওঁতে দামোদৰদেৱ তেওঁৰ লগত যোৱা নাছিল। এইবাৰ শ্ৰীশঙ্কৰদেৱৰে সৈতে শ্ৰীচৈতন্যদেৱৰ সাক্ষাৎ হোৱা বুলি গুৰুচৰিত্ৰত উল্লেখ আছে। শ্ৰীশঙ্কৰদেৱৰ বৃদ্ধাৱস্থাত দ্বিতীয়বাৰৰ এই তীৰ্থযাত্ৰা হয়, আৰু ই তেওঁৰ প্ৰবৰ্ত্তিত ধৰ্ম্মপ্ৰচাৰৰ অনেক কালৰ পিচত। তেতিয়া আসামত তেওঁৰ ধৰ্ম্মৰ পূৰ্ণ বিকাশ, তেওঁৰ শিষ্য অসংখ্য আৰু ধৰ্ম্মমতাৱলম্বী মানুহ অনেক। সেইদেখি, কোনো কোনোৱে যে কয় যে শঙ্কৰদেৱে চৈতন্যক লগ পাই চৈতন্যৰপৰা শিক্ষা লভিহে ধৰ্ম্ম প্ৰচাৰ কৰিছিল, সেই কথাৰ ভেটি নাই।

***

শঙ্কৰদেৱে কাকো মন্ত্ৰ দিয়া নাই। শৰণ আৰু মন্ত্ৰ দুয়োটাৰ মানে একে নহয়। মহাপুৰুষীয়া প্ৰথামতে বিবাহিতা তিৰুতাই স্বামীৰপৰা পৃথক আৰু স্বাধীনভাৱে শৰণ লবৰ নিয়ম নাই, তেওঁ স্বামীৰ ধৰ্ম্মকেহে ধৰিব লাগিব ; আৰু তেওঁৰ যাই কৰ্ত্তব্য, পতিব্ৰতা আৰু গৃহিণী হৈ স্বামীৰ আল ধৰাটোহে।

•••

শ্ৰীশঙ্কৰদেৱ শ্ৰীমাধৱদেৱ দুয়ো ৰজাক শৰণ দিবলৈ অস্বীকাৰ কৰিছিল ; কাৰণ তেওঁলোকে জানিছিল যে ৰাজ্য শাসন পালন কৰিবৰ নিমিত্তে ৰজাই ক্ষুদ্ৰ দেৱদেৱীৰ



পূজা কৰিব লাগিব, আৰু সেই দেৱতাৰ আগত দেশীয় প্ৰথামতে পশুবলি দিব লাগিব, অথচ সেইটোৱেই মহাপুৰুষীয়া ধৰ্ম্মৰ প্ৰধান বিৰোধী কাৰ্য্য।

•••

অকল শঙ্কৰদেৱ মাধৱদেৱৰে নহয়, তেওঁলোকৰ পিছৰ কায়স্থ ধৰ্ম্মপ্ৰচাৰকসকলৰো ব্ৰাহ্মণ শিষ্য আছিল। শঙ্কৰদেৱৰ নাতি আৰু ভৱানীপুৰীয়া গোপাল আতাৰ ব্ৰাহ্মণ শিষ্য থকাৰ কথা কোনে নাজানে ? শঙ্কৰদেৱে চৈতন্যদেৱৰ দৰে তেওঁৰ ধৰ্ম্মত বীজমন্ত্ৰ দিয়া প্ৰণালী চলোৱা নাছিল। আনকি শঙ্কৰৰ ধৰ্ম্মমতাৱলম্বী বিখ্যাত ব্ৰাহ্মণসকলে, শৰণ ললে দীক্ষাৰ আৱশ্যক নাই বুলি দীক্ষা পৰিহাৰ কৰিছিল। সুকবিশেখৰ অৰ্থাৎ মহাপণ্ডিত মহাকবি সুবিখ্যাত অনন্ত কন্দলিয়ে তেওঁৰ ৰচিত "শৰণ-সংহিতা" নামৰ সংস্কৃত গ্ৰন্থত লেখিছিল "শৰণং যত্তু কৃষ্ণস্য স এব দীক্ষা প্ৰকীৰ্ত্তিতা।" অৰ্থাৎ কৃষ্ণত শৰণেই দীক্ষা। দামোদৰদেৱেও এই মতকেই প্ৰচাৰ কৰিছিল। "গুৰুলীলাত" উল্লিখিত— তেওঁক কোচ ৰজাই নিগ্ৰহ কৰা আৰু সেই নিগ্ৰহৰ বিৰুদ্ধে তেজস্বীভাৱে তেওঁ থিয় হৈ ৰজালৈ উত্তৰ দিয়া, আৰু ৰজাৰ ওচৰলৈ যাবৰ সময়ত তেওঁৰ প্ৰধান শিষ্য ভট্টদেৱকে তেওঁ উপদেশ দিয়া, বিৱৰণেই আমাৰ কথা সম্পূৰ্ণৰূপে প্ৰমাণ কৰে। সেইবোৰ আমি "গুৰুলীলা" পুথিৰপৰা আগেয়ে অনেকথাৰ বাঁহীত তুলি দেখুৱাইছোঁ।

•••

শ্ৰীমদ্ভাগৱতত ৯বিধ ভক্তি বা সাধনাৰ কথা আছে,—শ্ৰৱণ, কীৰ্ত্তন, স্মৰণ, অৰ্চ্চনা, পদসেৱন, দাস্য, সখীত্ব, বন্দন, দেহ-অৰ্পণ। শ্ৰীশঙ্কৰদেৱে শ্ৰৱণ-কীৰ্ত্তন ভক্তিধৰ্ম্ম যাইকৈ প্ৰচাৰ কৰিছে, আৰু দাস্যভাৱ অৱলম্বন কৰিছে। তেওঁৰ মতাৱলম্বী শ্ৰীদামোদৰদেৱৰো সেই সাধনা, সেই ধৰ্ম্ম, সেই ভাৱ। চৈতন্য প্ৰবৰ্ত্তিত বঙ্গীয় বৈষ্ণৱ সম্প্ৰদায়ে পাঁচ প্ৰকাৰ সাধন-মাৰ্গৰ কথা কয়—যেনে, শান্ত, দাস্য, সখ্য, বাৎসল্য, মধুৰ অথবা শৃঙ্গাৰ। শান্তভাৱৰ সাধনমাৰ্গ ( peaceful realization ) যোগীৰ আৰু সন্ন্যাসীৰ, আৰু যাইকৈ impersonal God অৰ্থাৎ নিৰ্গুণ ব্ৰহ্মৰ সাধনা। চৈতন্যদেৱে মধুৰ ভাৱ অৰ্থাৎ শৃঙ্গাৰ ভাৱৰ সাধনমাৰ্গ অৱলম্বন কৰিছে। এই ভাৱৰ সাধনাত পৰমেশ্বৰেৰে সৈতে সাধকৰ সম্বন্ধ স্বামী স্ত্ৰীৰ, প্ৰণয়ী প্ৰণয়িনীৰ। চৈতন্যদেৱৰ এই ভাৱৰ সাধনা, বঙ্গীয় বৈষ্ণৱধৰ্ম্মপ্ৰচাৰক আৰু ব্যাখ্যাকাৰকসকলৰ মতে যিমানেই "very sublime and beautiful phase

of the Vaisnava religion" হওক, এইটো কিন্তু ধুৰুপ যে চৈতন্যদেৱ আৰু তেওঁৰ প্ৰভাৱেৰে সম্পূৰ্ণ প্ৰভাৱান্বিত বিশিষ্টসকলৰ হাতত হে এই ভাবৰ সাধনা নিষ্কলঙ্ক ভাৱে থকাটো সম্ভৱ। চৈতন্যদেৱৰ পিছত "নেড়ানেড়ীৰ দল"ৰ বৈষ্ণৱ-ধৰ্ম্মই আমাৰ কথাৰ প্ৰমাণ। আমাৰ বিচক্ষণ আৰু বহুদৰ্শী শ্ৰীশঙ্কৰদেৱে ভাবি-চিন্তি জানি শুনিয়েই তেওঁৰ ধৰ্ম্ম সাধনাৰ প্ৰণালীত মধুৰ বা শৃঙ্গাৰ ভাবক পৰিহাৰ কৰি, দাস্য ভাব গ্ৰহণ কৰি তাক মুখ্য স্থান দান কৰিছিল। পৃথিৱীৰ সকলো ডাঙৰ ধৰ্ম্মতে, যেনে বৌদ্ধ, খৃষ্টীয়, মুছলমান ধৰ্ম্মত এই দাস্যভাবৰ সাধনাহে ঘাইকৈ অৱলম্বিত, আৰু তেনে ভাবৰ সাধনাৰ প্ৰণালীৰ নিৰ্ভুলতাৰ চিনাকী সেই ধৰ্ম্ম-বিলাকৰ স্থিতি, শক্তি, আৰু বিস্তাৰেই দিব লাগিছে।

•••

শ্ৰীচৈতন্যদেৱে তেওঁৰ শিষ্যসকলক বীজমন্ত্ৰ দিয়াৰ প্ৰথা চলাইছিল বুলি ওপৰত কৈছোঁ, শ্ৰীশঙ্কৰদেৱে তেনে প্ৰথা চলোৱা নাই। চৈতন্যদেৱৰ প্ৰণালীত ১৬ নাম আৰু তেওঁৰ শিষ্যই এই নাম নিতৌ উচ্চাৰণ কৰিব লাগে, শঙ্কৰদেৱৰ প্ৰণালীত ৪ নাম। চৈতন্যদেৱৰপৰা বঢ়া বুলি কোৱা অসমীয়া সত্ৰ কেইখনৰ গোসাঁই আৰু শিষ্য সকলে আজিও ১৬ নাম লয় নে ৪ নাম লয়, জানিবলৈ দিলে "মজাৰ কথা" হব।

***

মহাপুৰুষীয়া আৰু দামোদৰীয়া ধৰ্ম্মত মূলগত কোনো প্ৰভেদ নাই। নাম প্ৰসঙ্গ লোৱা আদি প্ৰণালীত যি অলপ-অচৰপ প্ৰভেদ দেখা যায়, সি পিছৰ কালত সোমোৱা পৰিবৰ্ত্তন।

•••

মহাপুৰুষীয়াই কামাখ্যালৈ যোৱাত কোনো বাধা নাই; মাথোন পূজা কৰা, বলি কটা ইত্যাদিতহে বাধা। মাধৱদেৱৰ বন্ধু মহাপণ্ডিত অমৃবাৰি ভট্টাচাৰ্য্যৰ বিশেষ আহ্বানত মাধৱদেৱ কামাখ্যালৈ গৈছিল, কিন্তু তেওঁ মন্দিৰৰ ভিতৰলৈ সোমোৱা নাছিল। তেওঁক মন্দিৰৰ ভিতৰলৈ যাবলৈ ৰবকৈ ধৰাত তেওঁ উত্তৰ দিছিল "কোন এনে মূৰ্খ আছে যি মাতৃৰ—?"

•••



মহাপুৰুষীয়াই পৰমেশ্বৰৰ বাহিৰে আন দেৱ দেৱীক পূজা নকৰাত, আৰু বলিকাটি পূজা দি দেৱতাক সন্তুষ্ট কৰিবলৈ নোযোৱাত মহাপুৰুষীয়াৰ Bigotry "গোঁৰামি" প্ৰকাশ পোৱাটো তো দূৰৰ কথা, মহাপুৰুষ শঙ্কৰদেৱে আদিতে প্ৰচাৰ কৰা পৱিত্ৰ নিৰ্ম্মল ধৰ্ম্মমতক পৱিত্ৰ নিৰ্ম্মলভাৱে আশ্ৰয় কৰি ৰক্ষা কৰি থাকি মহৎ কাৰ্য্য কৰাটো হে প্ৰকাশ পায়। দামোদৰীয়াসকলেও যদি দামোদৰদেৱৰ অৱলম্বিত সেই গুৰিৰ ধৰ্ম্মমত ৰক্ষা কৰি থাকিব খোজে তেন্তে তেওঁলোকেও মহাপুৰুষীয়া-সকলৰ দৰেই হে এই বিষয়ে আচৰণ কৰিব লাগিব। অৱশ্যে গাৰ বলেৰে অনেকে অনেক কথা কব পাৰে, আৰু আনমতে চলিও নিজক দামোদৰীয়া বুলি ফুৰিব পাৰে,—সেইসকলক আমাৰ কবলৈ একো নাই।

•••

শঙ্কৰদেৱে হিন্দুশাস্ত্ৰবিহিত জাতিভেদ প্ৰথাৰ উচ্ছেদ সাধন কৰা নাছিল। হিন্দুৰ বৰ্ণাশ্ৰম ধৰ্ম্মৰ ওপৰত তেওঁ হস্তক্ষেপ কৰা নাছিল। শাস্ত্ৰবিহিত জাতিভেদ প্ৰথা ৰক্ষা কৰিও, মুখ্য বস্তু হৰিনাম ধৰ্ম্ম আচৰণ কৰি থকাটোহে তেওঁৰ ব্যৱস্থা। অৱশ্যে তেওঁৰ জাতিভেদৰ প্ৰাণ ধৰ্ম্মগত। বিয়া শ্ৰাদ্ধ আৰু আন আন সামাজিক প্ৰথাত জাতিভেদৰ নিয়ম তেওঁৰ ধৰ্ম্মক ধৰোতা গৃহস্থসকলৰ নিমিত্তে তেওঁ সম্পূৰ্ণ ৰাখিছিল। কিয় ৰাখিছিল তাৰ কাৰণ আমি আগেয়ে অনেকবাৰ বাহীত বহলাই কৈছোঁ। কেৱলীয়া বা উদাসীন ভকতসকলৰ নিমিত্তে অৱশ্যে মহাপুৰুষীয়া ধৰ্ম্মৰ ব্যৱস্থা সুকীয়া। বেদবিহিত ক্ৰিয়া কৰ্ম্ম তেওঁ শুচোৱা নাছিল, এই বিষয়ে মহা-পুৰুষীয়া ধৰ্ম্মৰ ব্যৱস্থা, তলত তুলি দিয়া পোৱা ফাকিয়েই কৈ দিয়ে—

"তাৱত কৃষ্ণৰ ভক্ত নবে ভক্তি অবিৰোধী কৰ্ম্ম কৰে,
কৃষ্ণৰ কথাত ৰতি যেৱে নোজন্ময়।
যেৱে ভৈল কৃষ্ণকথা ৰত নিত্য নৈমিত্তিক আদি যত,
কথাৰ বিৰোধী জানিয়া সবে ত্যজয়॥"

কৃষ্ণ-প্ৰাণ, কৃষ্ণ-ধ্যান, কৃষ্ণ-ময় বৈষ্ণৱ ভকতৰ পক্ষে কৰ্ম্ম অনাৱশ্যক। প্ৰচলিত হিন্দুধৰ্ম্মতো পৰমহংস অৱস্থা প্ৰাপ্তসকলৰ পক্ষে নিত্য নৈমিত্তিক কৰ্ম্মৰ ব্যৱস্থা নাই।

•••

কায়স্থ শঙ্কৰদেৱৰ ভায়েকৰ জীয়েকক কোচ ৰজাৰ ভায়েক চিলাৰায় দেৱানে বিয়া কৰাইছিল সঁচা, কিন্তু বলেৰে ধৰি।

***

সাধাৰণতঃ খৃষ্টান মুছলমান আৰু ব্ৰাহ্মসকলে যাক প্ৰতিমাপূজা ( idolatory ) বোলে, মহাপুৰুষীয়াসকল তেনে প্ৰতিমাপূজক নহয়। শঙ্কৰদেৱে কীৰ্ত্তনত "তীৰ্থ বুলি কৰে জলত শুদ্ধি, প্ৰতিমাত কৰে দেৱতা বুদ্ধি" ইত্যাদি কথাৰে কাঠ, শিলা আদিৰ প্ৰতিমাৰ বিষয়ে তেওঁৰ মত স্পষ্টকৈ ব্যক্ত কৰি থৈছে। মহাপুৰুষীয়া সত্ৰত প্ৰতিমা পিছৰ কালৰ introduction আনিলানি; আৰু ৰজাৰ ডঁৰি, ব্ৰাহ্মণ গোসাঁইৰ প্ৰভাৱ, আৰু দেৱত্তৰ মাটি আৰু সম্পত্তি লাভৰ উপায় তাৰ গুৰি। তথাপি প্ৰতিমাৰ ঠাই গৌণ, নিকৃষ্টতহে; আৰু পূজাদিৰ স্থান সত্ৰৰ প্ৰধান ভকত-সকলৰ সমান শাৰীত নহয়। এই বিষয়ে আমি আগেয়ে বহলকৈ আলচ কৰিছোঁ, সেইদেখি আজি সৰহ নকওঁ। শঙ্কৰদেৱে অৱশ্যে ঈশ্বৰক ধ্যান কৰিবৰ নিমিত্তে মানসিক প্ৰতিমাৰ আৱশ্যকতা অনুভৱ কৰিছিল। কাৰণ তেওঁ জানিছিল নিৰ্গুণ ব্ৰহ্মক সগুণভাৱে ধ্যান ধাৰণা কৰিবৰ নিমিত্তে এই উপায় নিতান্ত আৱশ্যকীয়। নিৰাকাৰবাদী খৃষ্টান মুছলমান আৰু ব্ৰাহ্মসকলেও ঈশ্বৰক চিন্তা বা ধ্যান কৰোতে এবিধ নহয় এবিধ মানস প্ৰতিমা,—যাইকে মানুহৰ নিচিনা কৈ ঈশ্বৰৰ আকৃতি মনতে পাতি লৈ ঈশ্বৰৰ ধ্যান কৰে সে এইটো থিৰাং। personal God সগুণ ঈশ্বৰক ধ্যান ধাৰণা কৰিবলৈ হলে তেওঁত মনুষ্যৰূপ ( যেনে কৃষ্ণৰূপ, ৰামৰূপ ) আৰোপণ কৰিবই লাগিব। নিৰাকাৰ ঈশ্বৰবাদী খৃষ্টানসৱে ঈশ্বৰক মনুষ্যৰূপ নিদি পৰা নাই। বাইবেলত আছে "Man is made after the image of God।" উপনিষদ, গীতাইও কয় যে ভক্ত উপাসকৰ ধাৰণাৰ নিমিত্তে নিৰাকাৰ নিৰ্গুণ ব্ৰহ্মই সগুণ হৈ মূৰ্ত্তি পৰিগ্ৰহ কৰে। কীৰ্ত্তনত স্পষ্ট আছে "ধৰিছা মূৰ্ত্তি ভকতৰ পদে।" ঈশ্বৰৰ উপাসনাৰ পক্ষে Anthropomorphic ভাৱ ভক্ত উৎকৃষ্ট বুলি চিন্তাশীলসকলে কয়। ঈশ্বৰক জ্যোতিৰ্ৰূপ বুলি উপাসনা কৰোতাসকলৰ মনৰপৰা জ্যোতিষ্মান স্বপ্ৰকাশ সূৰ্য্য আৰু অগ্নিৰ প্ৰভাৱ নাযায়। ইত্যাদি কাৰণত শঙ্কৰদেৱৰ ধৰ্ম্মক idolaterous পৌত্তলিক বোলাটো মহাভুল।

***



আন হিন্দুসকলৰ দৰে মহাপুৰুষীয়াই অৱতাৰবাদ মানে। মনুষ্যৰ হিতৰ অৰ্থে ঈশ্বৰ অৱতাৰ হয় এই মতত তেওঁলোকে সম্পূৰ্ণ বিশ্বাস স্থাপন কৰে। বিষ্ণুৰ—শিলৰ, কাঠৰ, পিতলৰ মূৰ্ত্তি, পটত বিষ্ণুৰ নানা অৱতাৰৰ মূৰ্ত্তি মহাপুৰুষীয়া সত্ৰবোৰত পোৱা যায়; কিন্তু, কালী দুৰ্গাৰ মূৰ্ত্তিক যেনেকৈ বলি পূজা আদি দি, আন সম্প্ৰদায়ৰ হিন্দুৱে পূজা কৰে সেই দৰে মহাপুৰুষীয়াই এই মূৰ্ত্তিবোৰ পূজা নকৰে।

***

অসমীয়া হিন্দু সমাজত মহাপুৰুষীয়াৰ ঠাইৰ ওখ থাপ আৰু তল থাপৰ নিৰ্দ্দেশ কৰি কোনো অজ্ঞ বিদেশীয়ে মত প্ৰকাশ কৰা আমি শুনিছোঁ। কিন্তু সেই অনধিকাৰ চৰ্চ্চা যে, আমাৰ সমাজৰ আভ্যন্তৰিক অৱস্থাৰ বিষয়ে ভালকৈ নজনা সেই বিদেশীৰ মূৰ্খতাৰ হে চিনাকী তাক নকলেও হব। অসমীয়া হিন্দু সমাজত শাক্তৰ শাৰী ওখ, নাইবা মহাপুৰুষীয়াৰ শাৰী শাক্তকৈ ওখ, নাইবা দামোদৰীয়াৰ শাৰী মহাপুৰুষীয়াতকৈ ওখ, এনে বিধৰ মন্তব্য প্ৰকাশ কৰিবলৈ যাওঁতা লোক যে হাঁহিয়া-তৰ হে পাত্ৰ তাক ডাঠকৈ কব পাৰি। শাক্ত, দামোদৰীয়া, মহাপুৰুষীয়াৰ ভিতৰত ব্ৰাহ্মণ, দৈৱজ্ঞ, কায়স্থ, কলিতা জাতৰ ওখ শ্ৰেণীৰ মানুহ হাজাৰ হাজাৰ আছে আৰু পৰস্পৰৰ ভিতৰত বিবাহাদি নানা সম্পৰ্ক ঘটিব লাগিছে। আসামৰ উজনি নামনিত মহাপুৰুষীয়া সত্ৰত ব্ৰাহ্মণ অধিকাৰ গোসাঁই বিদ্যমান। অনেক ডাঙৰ ডাঙৰ ব্ৰাহ্মণ পৰিয়াৰ মহাপুৰুষীয়া। উজানিৰ সাত ঘৰ বিখ্যাত কায়স্থৰ তিনি ঘৰ মহাপুৰুষীয়া। যি মহাপুৰুষীয়া সম্প্ৰদায়ে আদি মূল শ্ৰীশঙ্কৰদেৱৰ ধৰ্ম্মক অবি-মিশ্ৰ অকলুষিতভাৱে আজিলৈকে ৰাখি আহিছে, সেই সম্প্ৰদায়ৰ মানুহক শাক্ত আৰু দামোদৰীয়াৰ তলৰ শাৰীৰ বুলিবলৈ আস্পৰ্দ্ধা কৰোঁতাক হয় মূৰ্খ নহয় বাতুলৰ শাৰীত ঠাই নিদিলে আৰু তেওঁলৈ ঠাই নাই।

***

"আসামত শাক্তৰ লেখ ৩ লাখ" এই বিস্তা চেন্সচ ৰিপোৰ্টৰপৰা কোনোৱে ধাৰে লৈছে। কিন্তু চেন্সত ৰিপোৰ্টত শাক্তৰ লেখ ৩ লাখ কেনেকৈ হল, তেওঁলোকে সেইটোৰ "তল মন" কৰাই নাই। চেন্সচ ৰিপোৰ্টৰ কামত থকা ডাঙৰ চৰ্কাৰী বিষয়া এজনৰেপৰা আমাৰ শুনা মনত আছে, যে তেওঁ ভালকৈ জানে যে মানুহৰ লেখ লোৱা অনভিজ্ঞ ইনিউমৰেটৰসকলে, চাহবাগিছাৰ ধাঙৰ, ওৰাওঁ, কোল আদি কুলিবোৰক "বাঙ্গালী কুলি" এতেকে সিহঁত শাক্ত এই বুলি শাক্তৰ ঘৰত পেলাই

দিছিল। অসমীয়া গাৱঁলীয়া মানুহে চাহ বাগিছাৰ কুলিক "বঙ্গালী কুলি" বোলা কোনে নেজানে? আসামত পৰ্ব্বতীয়া আৰু ন-গোসাঁইৰ শিষ্য যি কেইঘৰ ভাল মানুহ শাক্ত আছে, সেই কেইঘৰক সকলোৱে জানে আৰু তেওঁলোকৰ লেখ আঙুলিৰ মূৰত লব পাৰি।

•••

মোৱামৰিয়া বা মায়ামৰা সত্ৰৰ প্ৰবৰ্ত্তক অনিৰুদ্ধদেৱ ভৱানীপুৰীয়া গোপাল আতাৰ শিষ্য। গোপাল আতা মাধৱদেৱৰ শিষ্য। সেইদেখি অনিৰুদ্ধদেৱ শঙ্কৰদেৱৰ সমসাময়িক হোৱাটো অসম্ভৱ। শ্ৰীশঙ্কৰ দেৱৰ কোনো জীৱনচৰিত্ৰ পুথিত অনিৰুদ্ধ দেৱৰ নাম নাই। ধাতুতাম্ৰাক্ষৰীৰ লেখা--যোগ অভ্যাসৰ সূত্ৰ বুলি অনুমান কৰা হয়। যোগ অভ্যাস যদিও বৈষ্ণৱ ধৰ্ম্মৰ বিৰোধী কাৰ্য্য নহয়, তথাপি শ্ৰীশঙ্কৰদেৱ শ্ৰীমাধৱদেৱৰ ৰচিত প্ৰধান শাস্ত্ৰত তাৰ ব্যৱস্থা নাই। এনে মনে ধৰে,যে মতকসকলৰ পক্ষে মহাপুৰুষীয়া ধৰ্ম্মক ধৰিব পৰা কৰিবৰ মনেৰে অনিৰুদ্ধদেৱে তাত কিছু তান্ত্ৰিক নাইবা অনাৰ্য্য ধৰ্ম্মপ্ৰথাৰ ভেজনি দিলে, আৰু সম্ভৱতঃ সেইদেখিয়েই আন বৈষ্ণৱসকলে তেওঁক এৰ্‌ৰীয়া কৰিলে।

—০—

# গুৱাহাটীত অসমীয়া ছাত্ৰ-সন্মিলন।

পৰমেশ্বৰৰ কৃপাত নানা-বাধা বিঘিনি পাৰ হৈ গুৱাহাটীৰ সমূহ ছাত্ৰে আজি আসামত প্ৰথম এই ছাত্ৰ-সন্মিলন গুৱাহাটীত গোট খুৱাইছে।

আসামৰ ছাত্ৰসকলক যে এখন সন্মিলন লাগে এই কথাটো আজি ন-কৈ তোলা কথা নহয়। বহুত দিন আগৰেপৰা ইয়াৰ আলোড়ন হৈ আছিল; কিন্তু প্ৰকৃততে সেইদৰে কোনো কাৰ্য্য হৈ উঠা নাছিল।

গল বছৰি ফেব্ৰুৱাৰী মাহত Educational Officers' Conferenceলৈ আসামৰ সকলো ঠাইৰ হেড্‌মাষ্টৰ আৰু Inspectorসকল গুৱাহাটীত গোট খোৱাত গুৱাহাটীৰ একতা সভাই সমূহ ছাত্ৰৰ হৈ Education officers সকলক নিমন্ত্ৰণ কৰি এখন সভা পাতে; আৰু তাত ছাত্ৰৰ ফালৰপৰা এই সন্মিলনৰ কথা উত্থাপন কৰে। সভাত বহুত আলোচনা হ'ল; কিন্তু নানান কাৰণত কোনো মীমাংসা নহ'ল।



এই বছৰৰ আদিতে, Behari Students' Con-ferenceৰ ৰিপোৰ্টবোৰ পঢ়ি কলিকাতাৰ A. S. L. Clubৰ সভ্যসকলৰ ভিতৰত, আসামতো যে এই দৰৰ ছাত্ৰ-সন্মিলন লাগে, এই বিষয় লৈ অনেক আলোচনা চলিছিল। আৰু A. S. L. Clubৰ বিশেষ অধিবেশন এটাত, আমাকো যে এইদৰৰ সন্মিলন এখন লাগে, এইটো কথা সম্পূৰ্ণভাবে মীমাংসা হৈ গ'ল। কিন্তু বিদেশত থকা কলিকাতাৰ A. S. L. Club-এ এনেকুৱা গুৰুতৰ কাম এটাৰ ভাৰ অকলৈ লব নোৱাৰে; সেইদেখি পূজাৰ বন্ধত, সেই Clubৰ সভ্যসকলে, গুৱাহাটীৰ কটন কলেজ একতা সভা আৰু Earle Law Collegeৰ ছাত্ৰসকলৰ লগত পৰামৰ্শ কৰি, যাতে এই বছৰলৈ স্বদেশবাসী গুৱাহাটীয়া সমূহ ছাত্ৰে এই প্ৰথম অধিবেশনৰ ভাৰ লয়, সেইটো মীমাংসা কৰিলে। সেই অনুসাৰে স্থিৰ হ'ল যে এই বৰ দিনৰ বন্ধৰ ২৫ ডিচেম্বৰ তাৰিখে আসাম ছাত্ৰ-সন্মিলন এখন পতা হব। কাৰ্য্য নিৰ্ব্বাহ কৰিবলৈ ১০ জন কলেজ আৰু স্কুলৰ ছাত্ৰৰ কমিতি এখন পতা হয়। সেই কমিতিয়ে গুৱাহাটীৰ ছাত্ৰসমূহৰ হৈ নানা ঠাইৰ ছাত্ৰসকলক নিমন্ত্ৰণ কৰি আনি এই সন্মিলন গোট খুৱাইছিল।

এই সভাত আসামৰ নানা ঠাইৰ ছাত্ৰৰ প্ৰতিনিধি আহি গোট খাইছিল। এই সভাত আমাৰ ছাত্ৰসকলৰ সকলো লাগতীয়াল কথা আলোচনা কৰিবলৈ এটা শুভযোগ হৈছিল। গতিকে এই সভাতেই আমাৰ ভবিষ্যত ছাত্ৰ-সন্মিলনৰ বিষয় আলোচনা কৰি, তাৰ নিয়ম প্ৰণালী গঠন কৰি লবলৈ সুবিধা হৈছিল। আমাৰ ভাব আদান প্ৰদান কৰিবলৈ কোনো সুবিধা নাই; সেইবাবে গুৱাহাটীয়া সমূহ ছাত্ৰই এই প্ৰাৰম্ভিক সন্মিলন পাতি আসাম ছাত্ৰ সমাজৰ বৰ উপকাৰ কৰিলে আৰু সেইবাবে তেওঁবিলাক সদাই ধন্যবাদৰ পাত্ৰ হব। সন্মিলনৰ উদ্দেশ্য। কোনেও অস্বীকাৰ কৰিব নোৱাৰিব যে মানুহ স্বভাৱতে সমাজপ্ৰিয় প্ৰাণী। জগতত যিমান ডাঙৰ ডাঙৰ কাম হব লাগিছে বা হৈছে, আজিলৈকে আদিৰেপৰা যি সভ্যতাৰ সোঁত বৈ আহিছে, সেই সকলোবোৰ কোনো বিশেষ বিশেষ উদ্দেশ্য লৈ গোট খোৱা মানুহৰ উদ্যম আৰু চেষ্টাৰ ফলত হে। যদিও সকলো ব্যক্তিগত মানুহৰে ঐশ্বৰিক শক্তি আছে, তথাপি সেই শক্তিৰ উৎকৰ্ষ সাধন কৰিবলৈ হলে সমাজ বা সমবায় লাগে। ভিন্ন ভিন্ন প্ৰকৃতিৰ মানুহৰ পৰস্পৰ সংঘৰ্ষণৰপৰা, ব্যক্তিগত জ্ঞান আৰু শক্তি আৰু তেজাল হৈ উঠে। তাত বাজেও জীৱনৰ প্ৰকৃত মূল উদ্দেশ্য, সমাজৰ

ভিতৰেৰেহে সাধনা কৰিব পাৰি। সকলো মানুহেই ভাবত বন্দী। নিজৰ ভাবৰ উন্নতত্ব বা অবনতত্ব অনুসাৰে জগতত প্ৰত্যেকেই সুখ আৰু সৌন্দৰ্য্য নাইবা দুখ আৰু দৈন্য দেখে। সেইদৰে প্ৰত্যেক মানুহৰে জীৱনবিষয়ক জ্ঞান, জীৱনৰ উদ্দেশ্য জীৱনত কিমান খিনি আশা বা আনন্দ পাব পাৰি, সকলো নিজ নিজ শিক্ষাৰ গুণ অনুসাৰে নিৰ্দ্ধাৰিত হয়। অনেক মানুহ আছে, জগতত কেৱল বিষাদ আৰু নৈৰাশ্যহে দেখে, তেওঁলোকে হা হতাশ কৰি থাকিব হে পাৰে, কোনো কাম কৰিব নোৱাৰে। কিয়নো সকলো কাম আশাৰ উদ্‌গণিত হে হয়। অনেক মানুহ আছে তেওঁলোকে কেৱল নিজে খাই বৈ সুখে থাকিব পাৰিলেই, জীৱন কৃতাৰ্থ বুলি ভাবে। খোৱালোৱাত বাজেও যে অনন্তকামৰ শক্তি অন্তৰ্নিহিত হৈ আছে, তেওঁলোকে তাক ভাবিবই নোৱাৰে। আৰু অনেক লোক আছে, সমুদায় জীৱনটো সামান্য সংকীৰ্ণ স্বাৰ্থ লৈয়ে কটাই দিছে। এইবোৰ মানুহ যথাৰ্থতে কৃপাৰ পাত্ৰ। ভালকৈ চলাব পাৰিলে অনন্ত আনন্দৰ আকৰ, অসংখ্য আবেগ, সদিচ্ছাৰ জনম ঠাই জীৱন তেওঁলোকলৈ হাতেৰে মোহাৰি পেলোৱা কাকত এডোখৰ যেন হে। এই এটাইবোৰৰ মূলতে সামাজিক জীৱনৰ অভাব। প্ৰত্যেক মানুহেই জগতখনকে নিজৰ ভাবময় দেখে। সামাজিক জীৱনত আন থাকোক নেথাকোক, মানুহে অন্ততঃ অলপ সময়ৰ নিমিত্তে আপোনপাহৰা হব পাৰে। নানাভাবময় নানা মানুহৰ মুখৰ পিনে চালেই, বিজুলীৰ চিকৃমিকনিত অলপ সময়ৰ নিমিত্তেও নিজৰ সংকীৰ্ণ ভাব দূৰ হয়, অলপ সময়ৰ নিমিত্তেও কি যে অসীম জগতৰ, মুকলিমুৰীয়া প্ৰাণৰ সুখ স্পন্দন হয়। এইয়ে প্ৰকৃত জীৱন স্পন্দন, এই স্পন্দন ইচ্ছামতে আনিব পাৰিলেই জীৱনৰ সম্পূৰ্ণতা লাভ হয়। যেতিয়া কোনো এটা জাতিৰ প্ৰত্যেক মানুহেই, সেই জাতিৰ মানুহ বুলিয়েই, এই স্পন্দন অলপো অনুভব কৰিব পাৰে, তেতিয়াই আমি কম, সেইটো জীৱন্ত জাতি। সেই জাতি সূচক শব্দটো কটাৰীৰে কাটিলেও তেজ ওলাব। সেই জাতিৰ মানুহে যদি গাইগোটা হিচাপে, অইন এটা জীৱনহীন জাতিৰ মানুহতকৈ খুব কম কামো কৰে, তথাপি আমি কম তেওঁলোক হেজাৰ গুণে শ্ৰেষ্ঠ। কিয়নো, তেওঁলোকৰ শিৰত প্ৰকৃত জীৱনস্পন্দন আছে; জীৱন শব্দটো নো কি তেওঁলোকে অনুভৱ কৰিব পাৰিছে। কেৱল খাই বৈ থাকিব লাগিলে, মানুহ কৰই নেলাগে।

জাতীয় জীৱনৰ জীৱনস্পন্দনকে সাধনাৰ পৰম বস্তু জানি লৈ কাম কৰাই এই



ছাত্ৰ মহামণ্ডলীৰ একমাত্ৰ উদ্দেশ্য। সেই উদ্দেশ্য সাধন কৰিবলৈ তেওঁলোকে নিজৰ প্ৰতি কি কি কৰ্ত্তব্য পালন কৰিব লাগিব, আনৰ প্ৰতি কি কি কৰ্ত্তব্য পালন কৰিব লাগিব, সমাজৰ প্ৰতি কি কি কৰ্ত্তব্য পালন কৰিব লাগিব,—এইবোৰ অন্তৰেৰে সৈতে পালন কৰাই তেওঁলোকৰ আদি কাম।

সম্প্ৰতি জাতীয় জীৱনৰ প্ৰধান অঙ্গ কি কি, আৰু সেইবোৰৰ পৰিপুষ্টি সাধন কৰিব লাগিলে কি কি লাগে, আৰু সেই উপলক্ষ্যে সকলো ছাত্ৰৰে কি কি ভাবে কাম কৰা উচিত সেইটো চমুকৈ কোৱা যাওক।

কেইজনমান মানুহ একেলগে গোটখালেই সামাজিক বা জাতীয় জীৱন গঠিত নহয়। ব্যক্তিগত জীৱনৰ সাৰাংশবোৰ গোট খাইহে জাতীয় জীৱনৰ সৃষ্টি হয়। দৈনিক জীৱনৰ সাধাৰণ কামবোৰ আওহেলা কৰি উদ্দেশ্যবিহীন হৈ উদং ভাবে কৰিলে যেনেকৈ জীৱনৰ মোলকে বুজিব নোৱাৰি, সেইদৰে জাতীয় জীৱনৰ কাম নকৰিলেও জাতীয় জীৱন হেজাৰ শব্দেৰেও বুজাব নোৱাৰি। জাতীয় জীৱন বুজিবলৈ হলে, জাতীয় জীৱনৰ মঙ্গল সাধনা কৰিবলৈ হলে, দৈনিক জীৱনৰ প্ৰত্যেক কামতে মনত ৰাখিব লাগিব যে, আমি যি কাম কৰোঁ, তাৰ ওপৰত নিজৰ ভবিষ্যত মঙ্গল অমঙ্গলৰ লগে লগে, আমাৰ জাতীয় জীৱনৰো মঙ্গল অমঙ্গল নিৰ্ভৰ কৰে। আমি মনত ৰাখিব লাগিব যে আমাৰ প্ৰত্যেক কামৰ নিমিত্তে, আমি নিজৰ লগে লগে জাতীয় জীৱনৰ ওচৰতো দায়ী। আমি সদাই ভাবিব লাগিব যে আমি প্ৰত্যেকেই জাতীয় মহামন্দিৰৰ উপলখণ্ড। আৰু এডোখৰ উপলৰ দুৰ্গুণতেই সকলো মন্দিৰেই খহি যাব পাৰে। এই উদাৰ ভাব যেতিয়াই তেজৰ চলনশক্তিৰ লগত মিহলি হৈ যাব, যেতিয়াই তেজৰ চলাচলৰ লগে লগে, এই ভাব মনত খেলাই থাকিব, তেতিয়াহে আমি বুজিব পাৰিম জাতীয় জীৱন কি আৰু প্ৰকৃত জীৱনস্পন্দনেই বা কি। তেতিয়াহে বুজিম—জীৱনৰ প্ৰকৃত উপভোগ কি। তেতিয়াহে মানৱ জীৱন দান কৰা বুলি প্ৰমুক্ত কণ্ঠে ভগৱানক ধন্যবাদ দিব পাৰিম।

নব্য ছাত্ৰ সম্প্ৰদায়ৰ মনত এই উদাৰ জাতীয়ভাব সঞ্চাৰ কৰাই এই সম্মিলনৰ প্ৰথম উদ্দেশ্য। ই কেৱল জাতীয় জীৱনৰ সাকাৰ প্ৰতিমূৰ্ত্তি মাথোন। প্ৰকৃত জাতীয় জীৱন ভগৱানৰ নিচিনা আৰাধনা আৰু অনুভব কৰিব লগীয়া বস্তুহে, বৰ্ণাৰ লগীয়া বস্তু নহয়। কিন্তু পৰম সাধক নহলে, কেৱল ভক্তি আৰু আৰাধনাৰে তাক ঢুকি পোৱা নেযায়। সেইদেখিহে, সাধনা নহয় মানে মানুহে সাকাৰ পূজা কৰে।

প্ৰথমেই যদি ভাৰতীয় জীৱনৰ এই সাকাৰ মূৰ্ত্তিক সজীৱ কৰিবলৈ অহোপুৰুষাৰ্থ কৰোঁ, আৰু ইয়াৰ উদ্দেশ্য সফল কৰিবলৈ পণ কৰি লওঁ, তেনেহলে আমি যে শেহত গৈ নিৰাকাৰ জাতীয় জীৱন আৰাধনা কৰিব পাৰিম তাত অকণো সন্দেহ নাই।

প্ৰথমেই এই সম্মিলনৰ আকৃতি প্ৰকৃতি কৈ থোৱা ভাল। আমি দুনাই কৈ থওঁ, যে ই ছাত্ৰসম্মিলনী হে। ইয়াৰ সামাজিক আৰু ৰাজনৈতিক কথাৰ লগত কোনো সংস্ৰৱ নাই আৰু ভৱিষ্যতেও নেথাকিব। ইয়াৰ সম্বন্ধ ছাত্ৰজীৱনৰ কৰ্ত্তব্যৰ লগত হে। আমাৰ ছাত্ৰ সম্প্ৰদায়ক ছাত্ৰজীৱনৰ দায়িত্বৰ ভাব আৰু আত্মশিক্ষাৰ ভাব বহলাই কৈ সেই অনুসাৰে কাম কৰিব থোজাই প্ৰধান লক্ষ্য। আৰু এই সভাৰ সভ্য হৈ আত্মশিক্ষাৰ যি ভাবেৰে ইয়াৰপৰা ওলাই গৈ ছাত্ৰজীৱন পাৰ হৈ যাব, তেতিয়াও সেই ভাবেৰে যেনেকৈ জাতীয় জীৱনৰ উন্নতিৰ নিমিত্তে কাম কৰিব পাৰে, সেইবোৰ ভাব মনত দৃঢ়মূল কৈ ৰখাই সকলোৰে একান্ত কৰ্ত্তব্য।

ওপৰৰ এঠাইত কোৱা হৈছে, যে ব্যক্তিগত জীৱনৰ উৎকৰ্ষ সমাজৰ ভিতৰেৰে হে সাধন কৰিব পাৰি। কিন্তু সমাজ নহলে উৎকৰ্ষ সাধন দূৰৰ কথা, ছাত্ৰ জীৱন প্ৰায় বিফলেই যায়। ব্যক্তিগত জীৱন প্ৰায়েই গতানুগতিক পথেৰেই চলি যায়। কিন্তু ধৰা বন্ধা লক্ষ্য নথকাৰ নিমিত্তে সমাজৰ অ'গৰত ছাত্ৰ জীৱন ক'ই পাৰি যাব পাৰে। ইয়াতেই আমি ছাত্ৰ জীৱনৰ গতি গোত্ৰৰ লগত এই সভাৰ কি সম্বন্ধ, তাক ভাঙি কৈ থওঁ।

বুজি সুবুজি সকলোৱে ছাত্ৰজীৱনৰ দায়িত্বৰ ওপৰত দুই এক আষাৰ কথা কয়। ছাত্ৰসকলে নিয়ম মতে পঢ়াশালিলৈ যাব লাগে; শিক্ষকৰ কথা শুনিব লাগে, ঘৰত আহিও দিনে ৰাতি পঢ়িব লাগে, ইত্যাদি, ইত্যাদি, ইত্যাদি, ইত্যাদি। তাৰ পিছত চাকৰীৰূপ দ্বিতীয় আশ্ৰমত প্ৰৱেশ কৰিব লাগে। একপিনে এইবোৰ কথা যেনে সঁচা, আনপিনে তেনেই মিছা। ৰচনা লিখিবৰ সময়তো আমি ছাত্ৰ-জীৱনৰ ভাল বেয়া কাম আৰু অভ্যাসৰ ওপৰত ভৱিষ্যতৰ ভাল বেয়া নিৰ্ভৰ কৰে বুলি, ডাঙৰ ডাঙৰ লেখকসকলৰ যুক্তি আনি সজাই কওঁ। আমি বেছি ভাগেই নেজানো, ছাত্ৰ জীৱনত কি শিকিব লাগে। সৰ্ব্বপ্ৰথমে আমি নানি লোৱা উচিত যে, নিয়ম মতে লেখা পঢ়া কৰি পৰীক্ষা পাচ কৰা। বহুতে কব, কেৱল পৰীক্ষা পাচ কৰাই উদ্দেশ্য নহয়। আমি কওঁ যে পৰীক্ষাতো পাচ কৰিবই লাগে। আৰু



সেই ভাবেৰে নিজৰ শক্তি অনুসাৰে কাম কৰিব লাগে। কিন্তু প্ৰত্যেক পৰীক্ষালৈ সুদীৰ্ঘ দুবছৰ ব্যাপী কাল ৪।৫ খন কিতাপ বুকুত লৈ কটাবলৈ খোজাত বাজে, বেজাৰৰ কথা নাই। সেইটো কোনেও কৰিব নোৱাৰে, আৰু প্ৰকৃত পক্ষে কোনেও নকৰেও। এই খিনিতে ছাত্ৰ জীৱন উদ্দেশ্য বিহীন হৈ পৰিবৰ আশঙ্কা। আমি ইয়াতে ভালেমান ঘৰুৱা কথা কব লগীয়াত পৰিছোঁ। কোনেও যেন বেজাৰ নেপায়। ঘৰুৱা কথাৰপৰা জগতৰ বিষয়ে যিমান সত্যৰ আবিষ্কাৰ হব পাৰে আন কৰোপৰা তিমান নোৱাৰে।

মানুহ বুলিলেই অসংখ্য বাসনা, ইচ্ছা, আকাঙ্ক্ষা, শক্তিৰ সমষ্টি বুজায়। মানুহৰ কৰ্ত্তব্যজ্ঞান আছে, ধৰ্ম্মজ্ঞান আছে, ভৱিষ্যত সুখৰ বাঞ্চা আছে, লোকৰ উপকাৰ কৰিবৰ প্ৰবৃত্তি আছে, মানুহৰ জ্ঞানপিপাসা আছে। মানুহৰ যে আৰু কি কি অসংখ্য প্ৰবৃত্তি আছে, তাক মানুহে নিজেই কব নোৱাৰে। পৰস্পৰৰ সংঘৰ্ষণত কেতিয়াবা কেতিয়াবা একোটা আচৰিত শক্তি আৰু জ্ঞান বিস্ফুৰিত হৈ পৰে। এই সকলোবোৰ গুণ আৰু শক্তি সমানভাবে মনত ধাৰণা কৰিলৈ, নিৰ্ম্মলভাবে (with an objective outlook) জগতৰ পিনে চাব পৰাই প্ৰকৃত শিক্ষা।

কব খুজিছিলো আমাৰ ছাত্ৰজীৱনৰ উদ্দেশ্য বিহীন, সঙ্কীৰ্ণ অৱস্থাৰ কথা। ২।৩ খন কিতাপেই আমাৰ প্ৰত্যেক বছৰৰ নিমিত্তে জীৱনসম্বল হৈ উঠে। শেহত গৈ সিও দুবুজা হৈহে থাকে। এই সংকীৰ্ণ ভাবত স্বভাৱতে থাকিব নোৱাৰি, সকলোৱে ভিন্ন ভিন্ন ভাবে কৰ্ত্তব্যদ্ৰোহী হৈ উঠে। অৱশ্যে বহুতে নিজে আনৰ সহায় নোলোৱাকৈ জ্ঞান পথত বেচিকৈ আগুৱান হৈ যায়। বহুতে আকৌ আগ-বাঢ়ি যাব নোৱাৰা বুলিয়েই নিজৰ থাই এৰিদি পিছহোহকে। বহুতে আকৌ নিজৰ দৈনিক কামকো এৰি দি নিজৰ দোষকে অপ্ৰকাশ্যভাবে গুণ বুলি ধৰি নি, আগবাঢ়িযোৱাবোৰৰ আৰু আগবাঢ়ি যা বলৈ চেষ্টা কৰাবোৰৰ, কামকাজ নিজ নিজ ৰুচি অনুসাৰে আলোচনা কৰে। বহুতে আকৌ স্বাস্থ্যৰ দোহাই দি দিনতো নানান খেলাত, আৰু ৰাতিতো তাৰে আলোচনাতেই খেদায়। বহুতে আকৌ চাকৰী জীৱনৰ আশাশূন্যতাৰ কথা ভাবি ভাবি ছাত্ৰজীৱনৰ কামতো কোনো সুখ নোপোৱা হয়। ইয়াতকৈও অসংখ্য মূৰ্ত্তিৰে আমাৰ ছাত্ৰজীৱন "বহুধা বিভক্ত" হৈ প্ৰকাশ পাইছে। জাতিৰ জাতীয় জীৱন আৰু ধৰ্ম্ম নেথাকিলে, যেনেকৈ সমাজ কুসংস্কাৰৰ ক্ৰীড়াভূমি হৈ উঠে, তেনেকৈ জাতীয় ছাত্ৰজীৱনৰ অভাৱতেই,

আমাৰো ছাত্ৰজীৱনক নিৰাশাৰ ছাঁয়ায় আবৰি ধৰিছে। সোতথকা নৈত হেজাৰে হেজাৰে দূষিত পদাৰ্থ পৰিলেও, নৈৰ পানী দূষিত নহৈ, বৰং বিজয়চিহ্নৰূপে সেইবোৰক উটাইহে লৈ যায়। কিন্তু সোতনথকা নৈত দলি এটা পেলাই দিলেই, পানী কলুষিত হৈ যায়। সেইদৰে আমাৰ ছাত্ৰজীৱনতো হেজাৰ দোষ আছে, স্বীকাৰ কৰোঁ; কিন্তু মনত যেতিয়া প্ৰাণ আহি পৰিব, হৃদয়ত যেতিয়া শক্তিৰ স্পন্দন হব, তেতিয়াই আমি এই দোষবোৰক আমাৰ কীৰ্ত্তিচিহ্ন বুলিহে ভাবি লম। যেতিয়াই ছাত্ৰ বুলিয়েই গৌৰৱ অনুভৱ কৰিব পাৰোঁ,— তেতিয়াই আমি কম আমি পূৰ্ণতাৰ ফালে যাব লাগিছো, আমাৰ জাতীয় চৰিত্ৰ সংগঠিত হব লাগিছে।

ৰাজনৈতিজ্ঞ পণ্ডিত Edmund Burkeএ এঠাইত কৈছে যে "স্বাধীনতা" শব্দটো এটা গুণবাচক শব্দ হে। সেইদৰে "ছাত্ৰজীৱন" শব্দটোও গুণবাচক শব্দ হে। এই জীৱন অনুভৱ কৰিবলৈ হলে আমি কিছুমান "ছাত্ৰজীৱন সূচক" কাম কৰিব লাগিব। যেতিয়াই আমি সেইভাবে কাম কৰিব নোৱাৰিম, তেতিয়াই আমি ভবা উচিত আমাৰ ছাত্ৰজীৱন নাই।

ছাত্ৰজীৱনৰ প্ৰধান সঙ্কেত ছাত্ৰ বুলিয়েই লগলাগি কোনো এটা কাম কৰিবৰ শক্তি। ছাত্ৰজীৱনৰ কোনো এটা বিবেচ্য বিষয় লৈ, একেলগে জাগি উঠিবৰ শক্তি আমাক লাগে। মুহূৰ্ত্তৰ নিমিত্তেও আমাৰ ব্যক্তিগত ভাব এৰি দি সকলোৱে মিলিজুলি কৰিব পৰা শক্তি আমাক লাগে। যাৰ যেতিয়াই এই শক্তি নাইকীয়া হয়, তেওঁৰ ভবা উচিত যে তেওঁৰ ছাত্ৰজীৱন নাই। আমাৰ এই সমবেত কৰ্ম্মশক্তি অপ্ৰকাশ থকাই আমাৰ ছাত্ৰজীৱনত অনেক দোষ ৰৈ গৈছে। আৰু এইবোৰ দোষ আমাৰ ভবিষ্যত জীৱনতো ৰৈ যাব। আমি ওপৰত আত্ম-শিক্ষাৰ বিষয়ে যি কৈ আহিছো, তাক সকলোৱে লগলাগি কাম কৰিবপৰা শক্তিৰেহে সাধনা কৰিব পাৰি। আমাৰ প্ৰকৃত আত্ম-শিক্ষাৰ প্ৰধান অন্তৰায় আমাৰ সংকীৰ্ণ স্বাৰ্থ। নিজৰ লাভ বা গৌৰৱৰ অংশ নেদেখিলে কোনো কামতেই আমাৰ মন নেযায়। কামটো ভাল বুলি জানিলেও, সেই কামত মন প্ৰাণ দি সহায় কৰিব লগা কথা উচিত বুলি ভাবিও, নানান কুটযুক্তিৰে আমি আত্ম প্ৰৱঞ্চনা কৰি থাকো। আমাৰ প্ৰধান দোষ এজনে আগবাঢ়ি গৈ কামৰ দায়িত্ব হাতত ললেই, আনবোৰ স্থলকি পৰে। তেওঁলোকে ভাবে আগবাঢ়ি যোৱা জনৰহে কামৰ সফলতাৰ নিমিত্তে সম্পূৰ্ণ গৌৰৱ। তেওঁলোকে পাহৰি যায় যে গৌৰৱ কাৰো নিজা নহয়, সমূহ জীৱনৰ হে। আগবাঢ়ি



যোৱা জনে যে অলপ বেছি স্বাৰ্থত্যাগ কৰিব লগাত পৰিছে, সেইটো তেওঁলোকে নেভাবেই। অনেক সময়ত আকৌ লগৰীয়াবোৰক নিস্তেজ দেখি, আগবঢ়া জনো শুকাই যায়। এই উভয় অৱস্থাতেই, তেজীয়ানে নিজৰ শক্তিৰে আনক তেজিয়ান কৰি তোলা উচিত, আৰু লগৰীয়াবোৰেও আগবাঢ়ি গৈ দায়িত্ব গ্ৰহণ কৰা জনক সৰ্ব্বতোভাবে সহায় কৰা উচিত।

শ্ৰীবাণীকান্ত কাকতী।

---

# অসমীয়া ছাত্ৰৰ সাহিত্য সন্মিলনী।

সভাপতি ডাঙৰীয়া আৰু সমজুৱা ভাই ভনী সকল—

মই আজি আপোন লোকৰ সাহিত্য সভাত কায়মনোবাক্যে যোগ দিবলৈ আহিছো, আপোনালোকক অলপমানো সন্তোষ দিব পাৰিলে মই বৰ সুখী হম, কিন্তু মোৰ কায়টো হৈছে ভিতৰ ঘুনীয়া, মনটো হৈছে মৰিনৈ আৰু বাক্য হৈছে তাৰে বেঙা কাছ, কথা কব খুজিলে বুৰবুৰি ওলাই বায়ুতে লীন হৈ যায়। মোৰ এবেগেতীয়া জীৱনটোৰ :—

শিশুকাল গল হাসিতে খেলিতে।
বালক কাল গল হেলায় ॥
যৌবন কাল গল চাউল বিচাৰোতে।
এতিয়া আহিছো সাহিত্যৰ মেলায় ॥

সাহিত্য বুলিলে একেটা ভাবকে পকাই নানাৰকমে আনৰ মনত সুমোৱাই সন্তোষ দিব পৰাকৈ ভাবটো পদ্য বা গদ্যত প্ৰকাশ কৰিব পৰাকে বুজিছোঁ, কিন্তু প্ৰকাশ কৰিব নোৱাৰাত পৰিছোঁ। নিজৰ মাতৃভাষা হলেও সকলোপৰা নিয়ম মতে লেখা পঢ়া শিকি এইদৰে ভাবৰ সাল-সলনি কৰিবলৈ শিকিব লাগে যেনেকৈ নাচন-বাগন, কথন-মথন, গায়ন-বায়ন, ৰান্ধন-বাঢ়ন, বোৱন-কাটন ইত্যাদি নিশিকিলে কোনেও একো নোৱাৰে। খোজ কাঢ়িবলৈ শিকিলেই নাচিব নাজানে পঢ়িবলৈ শিকিলেই গান গাব বা নাম গাব নাজানে, চপৰিয়াব পাৰিলেই বজাব নাজানে, চৰুত চাউল পানি দি জুইৰ ওপৰত বহুৱাই দিব পাৰিলেই ৰান্ধনি হব নোৱাৰে, আনে তৰি খোৱা

মিহি সূতাৰ তাঁত এখন উধামুধাকৈ তৰিয়াই সূতা চিঙি আউল-বাউল লগাই নিজৰ নাক কাটী সতিনীৰ যাত্ৰা ভঙ্গ কৰাৰ নিচিনা বৰ বিদ্বান হলেও সাহিত্যিক হব নোৱাৰে। সাহিত্যও এখন মিহি সূতাৰ তাঁতৰ দৰে, জ্ঞান বুদ্ধিৰ লগেলগে সৰুৰেপৰা সাহিত্যৰ আলোচনা কৰিব লাগে তেহে সময়ত মুখৰপৰা দু-আষাৰ মান শুৱলা কথা উলিয়াব পাৰি। বয়সত বুঢ়া হলেও সাহিত্যত মই পানীকেঁচুৱা। বুঢ়া শালিকাই মাত লোৱা আমি দেখাও নাই শুনাও নাই, পোহনীয়া শালিকাৰ সৰুতে সুমুৱাই দিলে সি খুটীয়াই-হে। ভাষা লৈ আমাৰো এতিয়া খুটীয়াখুটী লাগিছে, বৰ দুখৰ বিষয়। বঙালি সংস্কৃত আৰু ইংৰাজী শিকাত আমি যিমান সময় আৰু শক্তি দিছোঁ মাতৃভাষাই তাৰ দহভাগৰ এভাগো পোৱা নাই, সেই দেখিহে এইখন বেমেজালি। কোনো এটা ভাব প্ৰকাশ কৰিবলৈ চেষ্টা কৰিলেই অশিক্ষিত ওচৰ চুবুৰীয়াৰপৰা মুখে মুখে শুনি সৰুৰেপৰা আমাৰ মনত যিবিলাক কথাই শিপাইছে সেই বিলাক হে ওলাই আহে। মাতৃভাষা লৰাক শিকাব খুজিলে মাক আগেয়ে শিক্ষিতা হব লাগে, আৰু শিক্ষিতা হৈও মাকে লৰাৰ ভাষা শিকি, লৰাৰ অভাব বুজি লৰাৰ মনত সোমাব লাগে, আৰু গম নোপোৱাকৈ ৰং ধেমালিৰ চলতে শিকাব লাগে নহলে লৰাৰ খং উঠে আৰু মাকক নির্ব্বোধ বুলি ভাবে আৰু ডাঙৰ হলে অবাধ্য হয়।

আমাৰ ভাব বিলাক হৈছে কাছৰ কণীৰ দৰে। কাছই বালিত গাত খান্দি কণীবোৰ পাৰি থৈ কণীৰ ভিতৰত থকা পোৱালিবিলাকক কৈ যায় "বাছা হঁত তহঁতে এতিয়া ইয়াতে থাক জেঠ মহিয়া জেঠায়েৰ আহি 'তহঁতক নিবহি', কাছৰ জেঠায়েক বান-পানী, বাৰিষা হলে সকলো ঠাই পানীৰে ভৰি পৰে আৰু কাছ পোৱালিবোৰ তেতিয়াই জগি গাতৰপৰা ওলাই ৰং ধেমালি কৰি নাচি বাগি সাঁতুৰি ফুৰে। এতিয়া কথা হৈছে বৰষুন হোৱাৰ আগেয়ে জেঠৰ বাৰ খৰ দিওঁতেই সিহঁত কণীৰপৰা জগি ওলালেই। কিন্তু জেঠায়েকৰহে দেখাদেখি নাই, ওপৰত টিকাফটা ৰদ, তলত জুই যেন তপত বালি, খাবলৈ কেচু কুমটী এটাও পাবলৈ নাই, যিমান দূৰ দেখে খালি মৰুভূমিৰ দৰে "অপাৰ বালুকাৰাশি ধূ ধূ কৰিছে" তেতিয়া সিহঁতে কি কৰিলে শুনক। ৰৰটোৱে শুধিলে জেঠাই "কেনি গল" তাৰ পিচৰটোৱে কলে কেনিগল নহয় অ "কোঁহাইগেল" আৰু এটাই কলে কোঁহাই গেল নহয় "কলৈ গল" আৰু এটায় কলে কলৈ গল নহয় "ক'ক গেল" আৰু এটায় কলে ক'ক গেল নহয়



"কোন ফালে গল" আৰু এটায় কলে কোন ফালে নহয় "কোন পিনে গল" ইত্যাদি প্ৰশ্নটো শুধৰাওঁতেই খুটীয়াখুটী লাগি পৰিল, উত্তৰ পোৱা নগল। সুমলীয়া পোৱালিটোৱে গাৰ পোৰনি আৰু পেটৰ পোৰনিত ৰক্ষা নাপায় মাত লগালে ককাইহঁত ই কথাই কথা নহয়, আমাৰ এবেগেতীয়া জীৱনৰ ক্ষুদ্ৰ শক্তি আৰু অমূল্য সময় খিনি এনেকৈ নষ্ট কৰা উচিত নহয়, সহস্ৰ টাপলি মৰা ফকিৰৰ ৰৰছোলা যেনে ইও তেনে। এতিয়া এই তপত বালিত ৰৰছোলাৰ কথা কৈ খুটীয়াখুটী কৰি থাকিলে আমাৰ অন্তিমকাল উপস্থিত। আমাৰ জেঠাই বিশ্বব্যাপী কিহৰ ভয়। এই বিশাল পৃথিৱীখনৰ তিনি ভাগেই পানী এভাগ হে মাটী, পানীয়ে আমাৰ লক্ষ, বলা আমি পানী বিচাৰি পৃথিৱী প্ৰদক্ষিণ কৰোঁ। নিশ্চয় পাম। এই পানী আকৌ আকাশৰ পৰাও পৰে খানিলে পতালৰ পৰাও ওলায়। জেঠাইলৈ ৰহি থাকিলে আমি ইয়াতে থাকলৈ নাপায় শুকাই মৰিম, সেইদেখি ঈশ্বৰে দিয়া প্ৰধানমান শক্তিকনিৰেই হাত ভৰি চলাই জেঠাইক বিচাৰি যাওঁ বলা সকলোৱে পানেই পাম—

যতেক নদ-নদী সমুদায়
সকলোৱে পানি সাগৰলৈ হে যায়।

এতিয়া খাল বিল পুখুৰি যেয়ে যিহকে ওচৰতে পাওঁ তাতে জিৰণি লওঁ, বাৰিষা তাৰেপৰা উঠি নৈলৈ যাম তাৰেপৰা সাগৰ পাম গৈ। সকলোবিলাক পোৱালিয়ে এই কথাত একমত হল আৰু বগুৱা বাই বাই দিহাদিহি গল, এটা আহি পৰ্য্যন্ত ৰগাই আমাৰ ঘৰৰ দুৱাৰ মুখ পালেহি, লৰা এটাই ধৰি আনি মোক দেখুৱালে মোৰ বৰ মৰম লাগিল আৰু বাট হেৰুৱাই জেঠায়েকক বিচাৰি এই পিনেই পোনাইছে বুলি আমাৰ পুখুৰিটোত এৰি দিবলৈ কলো, এৰি দিলতে সি বুৰবুৰি কাটি ধন্যবাদ দি জেঠায়েকৰ কোলাত লুকাল গৈ। আমিও সেইদৰে ভাব, গতি আৰু লক্ষ ঠিক কৰি ভাৱৰূপী কণীত উমনি লৈ পোৱালি জগিলে হে লক্ষৰ পিনে গতি কৰিব পাৰোঁ। ভাব পূৰণ হৈ জগিবৰ সময় হলে সি জগিবই জগিব। সময় হোৱাৰ আগেয়ে যদি বিতত হৈ কণী ভাঙি চাও, তেন্তে হলে কশ্যপৰ সকজনা ঘৈণী বিনতা সুন্দৰীয়ে তেওঁৰ সতিনীয়েক কদ্ৰুদেৱীৰ কণীবোৰ আগেয়ে জগা দেখি খিয়ালতে নিজৰ কণী ছটাতনো কি আছে চাওঁ বুলি এটা ভাঙি চাই অঙ্গহীন কৰি অৰুণক জন্মোৱাৰ দৰে হব। অৰুণে সেই দুখতে হিংসাকুৰীয়া মাকক

কদ্রুদেবীৰ দাসী হৈ থাকিবলৈ শাও দিলে আৰু ইটো কণী নাভাঙিবলৈ সাৱধান কৰি দিলে। আৰু ইয়াকে কলে যে এই কণীটোৰ ভিতৰত মহাবীৰ্য্যৱন্ত বীৰ আছে, তেওঁৰ পৰাই তুমি শাপ মুক্ত হবা। ম'তাৰতৰ পাঠক সকলে এই বিষয় ভালকৈ জানে। সময়ত এই কণীটোৰপৰা মহাবীৰ গৰুড়ৰ জন্ম হল। আমিও কিছানি আমাৰ ভাব বিলাক পুৰঠ নৌ হওঁতেই ভাঙি চাও সেইদেখি তাৰেপৰা অমঙ্গল ঘটিছে। শ্ৰীশঙ্কৰ আৰু মাধৱদেৱৰ অন্তৰত যি চিন্তা ভাবনাৰ কণী সাঁচিছিল তাৰ পোৱালি বিলাক কোন দিনে গতি কৰিছিল তাৰে খোজৰ চিন কীৰ্ত্তন, ঘোষা, বৰগীত আদি পুথি বিলাকত জলজলীয়া হৈ পৰি আছে, আমি তাকে থাপনা কৰি আমাৰো তেনে মহাপুৰুষৰ দৰে ভাব গতি হবলৈ কামনা কৰি সেৱা কৰো। কিন্তু এতিয়া দেখিছো এনেকুৱা চিন্তা ভাবনাৰ কণী আমাৰ অন্তৰত এতিয়াও সাঁচিবপৰা নাই, কেৱল ক্ৰিমি আৰু তাৰ কণীয়ে হে মাজে মাজে পেটটো ওফোন্দায় ধৰে আৰু আমাৰ বেজবৰুৱা দাঙৰীয়াই এফোপালি জুলাপ দি সেইবোৰ বাহিৰ কৰি দিয়ে, আমি হাবিয়ে বননিয়ে পাৰি থৈ অলপ তত পাম, কিন্তু এই বিলাক যে বৰষুনত উটিগৈ নৈ খাল বিল পুখুৰিৰ পানি দূষিত কৰি অলক্ষিতে আকৌ নিজৰ পেটতো সোমায়, আনৰ পেটতো সোমাই অসুখ অশান্তিৰ কাৰণ হয় তাৰো গম নাপাওঁ। এই বিলাক গাত খান্দি একেবাৰে চাইচুনদি ভালকৈ পুতি পেলোৱা উচিত। আমি যে গুণীৰ গুণ বুজিব নোৱাৰো এইটোৱেই আমাৰ মনৰ প্ৰধান বিকাৰ। শ্ৰীশঙ্কৰদেৱ আৰু মাধৱদেৱৰ দৰে আমাৰ উপকাৰী মহাজনৰো দোষ হে উলিয়াবলৈ আমাৰ আগ্ৰহ দেখা যায়। আমাৰ নিজৰ গুণ নাই দেখি গুণীৰ গুণ নেদেখো দোষকেহে দেখো। ইউৰুপৰ গুণী সকলে গুণীৰ গুণৰ আদৰ কৰি কেনেকৈ Sir Robindra nath ঠাকুৰক সন্মান কৰিছে চাওক :—

To Robindra Nath Tagore

Address from oriental Circle of the Lyceum Club :—

"You have dedicated your genins the gift of god to the purest ends

Yov have brought joy to the hart serenity to the mind, music to the ears, images of beauty to the eyes and to the soul the remembrance of its devine origin."



( ইয়াৰ অসমীয়া ভাঙনি শুৱলা কৈ দিব নোৱাৰি ছুথিত হলো )

এই সকল গুণীয়ে জাত কুলৰ বিচাৰ নকৰি গুণৰ হে আদৰ কৰিছে, ইয়াতে তেওঁবিলাকৰ মহত্ব। আমিও যেতিয়া তেনেকৈ গুণৰ আদৰ কৰিবলৈ শিকিম তেতিয়াহে আমি সাহিত্য সেৱা কৰিবলৈ উপযুক্ত হম। আপোনালোকে সুধিব পাৰে আৰু কেতিয়ানো শিকিম, মই কওঁ এতিয়াই, "Begin is the advice" আমাক কোনো অজ্ঞাত শক্তিয়ে হাতত ধৰি থিয়কৰি কব লাগিছে "দিগ, দিগ, দিগ দিগ," আমিও খোজ দাঙিছো। সিদিনা মহামতি গোখলেৰ সোঁৱৰণী সভা এখোজ আৰু আজিৰ এই সাহিত্য সভাখনি ছখোজ।

শ্ৰীবিপিনবিহাৰী বড়া।

---

## বিলাতৰ কথা।

গ'ল বাৰ কৈছিলোঁ যে বিলাতত ছুশ তিনিশ চাবিশ টকা মাহে দৰমহা পোৱা মানুহে ইয়াতকৈ সুখে স্বচ্ছন্দে থাকিব পাৰে। তাৰ মানে হৈছে তাত হবৰ কেৰেয়া কলিকতা কি গুৱাহাটীতকৈ কম অৰ্থাৎ এনে দৰমহা পোৱা মানুহে যেনে ঘৰত থাকিব তেনে হবৰ। চল্লিশ, পঞ্চাশ, ষাঠি টকাত ইয়াতকৈ ভাল ঘৰ পোৱা যায়। ঘৰ নেপালে ছুটা কি তিনিটা খোটালীও কেৰেয়া লৈ সুচাৰুৰূপে সুকলমে থাকিব পাৰি। মেজ, মাচিয়া খাট ইত্যাদি কিনি সপ্তাহে সপ্তাহে কি মাহে মাহে তাৰ কেৰেয়া দিব পাৰি নতুবা কেৰেয়া দিয়াৰদৰে দাম দি থাকি সেইবোৰ বস্তু কিনিবও পাৰি, ইয়াক Hire purchase system কয়—হায়াৰ পাৰচেজ্ চিষ্টেমত বস্তু ল'লে কোনো বাৰ পইচা দিব নোৱাৰিলে সেই বস্তু আকৌ বেচোঁতাই লব পাৰে। তাত এটি লিগিৰিৰে কাম চলাব পাৰি—তাইক মাহেকত ১৫।২০ টকা দিলেই হয়, অৱশ্যে খোৱাবোৱাও দিব লাগে। তায়েই সকলো কাম কৰিব। ঘৰৰ ঘৈণীয়েকে আৰু ছোৱালীহঁতে ঘৰৰ কামত অৱশ্যে সাহায্য কৰে। সকলুৱা কাম যেনে ডাক ঘৰত চিঠি দিয়া, জোতা পিন্ধাই দিয়া কি কাপোৰ বুৰুছ কৰা এনেবোৰ কাম কৰাবৰ দৰ্কাৰ হ'লে চাকৰৰ সাহায্য লব নেলাগে। এই লিগিৰীজনীয়ে ঘৰি ধৰি সময়মতে উঠি ঘৰৰ সকলো কামকে কৰিব সকলো কাম ঘৰি চাই হয়। বুঢ়া, বড়া সকলো।

বস্তু বেহানী কিনিবলৈ হ'লে নিজেই যাব লাগে। তাত আত্মনির্ভৰ গুণটো বাঢ়ে, সেইদেখি খৰচো ইয়াতকৈ কমে। ইয়াত তিনিশ চাৰিশ পাঁচশ টকা পোৱা মানুহৰ "নবাবী চাল" হয়। তেনে তাত নহয়। মই কিন্তু অতি দুখীয়া মানুহৰ কথা কোৱা নাই। মোৰ মনেৰে অতি দুখীয়া মানুহৰ অৱস্থা বিলাতত‌কৈ আমাৰ ইয়াত ভাল। তিৰিচ, চল্লিচ, পঞ্চাচ টকীয়া মানুহৰ অৱস্থা ইয়াত তাতকৈ ভাল। মই পৰিয়াল থকা মানুহৰ কথাহে কৈছোঁ। আৰু এটা কথা এই খিনিতে কওঁ যে মিতব্যয়ী নহলে ৰাজভাণ্ডাৰো শূন্য হয় আৰু মিতব্যয়ী হ'লে দুখীয়াৰ ভঁৰালতো ৰাজলক্ষ্মী বিৰাজ কৰে। আমাৰ আসাম কেতিয়া ধনত আন আন দেশৰ সমকক্ষ হব?

"ব্ৰেক্‌ফাষ্ট" খোৱাৰ পাছত অলপ ইকালসিকাল কৰিথাকি নতুন ঠাইত বেয়া লগা দেখি মিসেস্ মল্লিকৰ তালৈ গলোঁ। অকলৈ লণ্ডনত বাটত ফুৰা এয়ে প্ৰথম। স্বাধীনভাবে ফুৰাত মনত বেছ ৰং লাগিছিল। নতুন ঠাই, নতুন মানুহ, নতুন জীৱন, দেখি বৰ ভাল লাগিছিল। মনৰ তেনে ভাব এতিয়া লাখ টকা খৰচ কৰিলেও নেপাওঁ। মিসেস্ মল্লিকৰ ঘৰ পাই চিনা জনা মানুহক দেখি মোৰ মনত এনে হ'ল যে তেওঁলোকক কতদিন দেখা নাছিলোঁ—অথচ তাৰ আগ দিনা ৰাতি হে তেওঁলোকৰ ঘৰপৰা যাওঁ। তেওঁলোকৰ তাতে সেই দিনা দুপৰীয়াৰ খোৱা খাওঁ—এওঁলোকে এইখিনি সময়ত Lunch (Luncheonৰ সংক্ষিপ্ত কিন্তু খাদ্য বিষয়ত সংক্ষিপ্ত নাছিল) খাইছিল। তেওঁলোকে ৰাতি ডিনাৰ খা ছিল। এই বিষয়ে আগেয়ে কৈছোঁ। "লাঞ্চনত" কোনো কোনো ঘৰত স্যুপ কিম্বা মাছ ভজাই হওক কি সিজোৱাই হওক কি মাছৰ প্ৰস্তুত আন কোনো ৰকম খাদ্য বা মাংসৰ এটা ৰোষ্টেই হওক যেই সেই এটা থাকে। এই ভোজনৰ সময়ত ঠাণ্ডা মাংস বেচি খোৱা হয়। যোৱা দিনৰ ডিনাৰত যি ৰোষ্ট হয় তাৰে শেষাংশ প্ৰায় দিয়া হয়। তপত সিজোৱা আলু আৰু কবি (কবি বাৰ মাহেই পোৱা যায়) সেই মাংসৰ লগতে খোৱা হয়। তাৰ পাছত এটা পুডিং কিম্বা মধুৰেণ সমাপয়েৎ কৰিবৰ অৰ্থে আন কোনো মিঠা বস্তু। ফল মূল ইত্যাদিও খোৱা হয়। মানুহৰ অৱস্থা ভেদে এই খোৱাৰ ফৰ্দ্দৰো তাৰতম্য ঘটে। ডাঙৰ মানুহৰ ঘৰত ইয়াত কৈও বেছি বস্তু হয়। আৰু কোনো ঘৰত স্যুপ, মাছ দুয়ো হয়। "ডিনাৰৰ" সৰু ভাই বুলিলেই "লাঞ্চন"ক বুজা যায়। পুডিংৰ পাছত পনিৰ ৰুটী মাখন খোৱাটোও নিয়ম। মুঠতে কবলৈ গ'লে "ডিনাৰ" আৰু "লাঞ্চ"ৰ ভিতৰত বেছি প্ৰভেদ নাই। প্ৰভেদৰ ভিতৰত হৈছেগৈ এই যে যি আহাৰক "ডিনাৰ" বুলি নাম দিয়া যায় সেই আহাৰটোয়েই হৈছে সেই ঘৰৰ প্ৰধান আহাৰ। এজন মানুহে Lunchক এই বুলি ব্যাখ্যা কৰিছে—"Case ingratitude to breakfast and premeditated insult to dinner."



ব্ৰেকফাষ্ট ভালকৈ খালে এটা দুটা বজাত সবহকৈ লাঞ্চ খোৱা ভাল নহয়। এই খিনিতে কৰ খোজো বিলাতভো ইয়াতো সবহকৈ খোৱাৰ নিমিত্তেই আমাৰ নানান্ ৰকমৰ ৰোগ হয়। ৰোগৰ প্ৰায় বেছি ভাগেই সবহকৈ অপৰিমিত খোৱাৰ কাৰণে হয়। দীৰ্ঘজীবি মানুহসকলৰপৰা শুনা যায় যে তেওঁলোকে সদায় নিয়মিত পৰিমিতাহাৰ কৰে।

"লাঞ্চ" খোৱাৰ পাছত কথাবাৰ্ত্তা পাতি পাঁচমান বজাত চাহ ৰুটি খাই আকৌ হাইগেট মুৱা হলোঁ। মিষ্টৰ মিসেস্ স্পীয়েৰ্চে কলৈ গৈছিলোঁ কিবা খালোঁ নে নাই এনেবোৰ কথা মৰম কৰি সুধিলে। লাহে লাহে তেওঁলোকৰ আটাইৰে মৰম পাই লাজ কিম্বা সঙ্কোচ একেবাৰেই ভাগি গ'ল।

কিছুদিন কি কৰিম কত পঢ়িম কোন বিষয় বিশেষকৈ শিক্ষা কৰিম এই বোৰ কথাতে সময় কটোৱা হ'ল। মই আগেয়ে কৈছোঁ পীয়েৰ্চন পৰিয়ালৰ ঠিকানা "হ্যাম্পষ্টড" বাদে একো নেজানিছিলোঁ। জনা হ'লে তেওঁলোকৰ তালৈকে গলোঁহেতেন। মিষ্টাৰ স্পীয়েৰ্চৰ পুতেকে পঢ়া স্কুলতে এবাৰ পঢ়িম বুলি ভাবিছিলোঁ সেই স্কুল হাইগেটতে। সেই স্কুলত "College of preceptors" বুলি এবিধ পৰীক্ষালৈহে শিকাইছিল। সময় নষ্ট কৰাতকৈ সেই পৰীক্ষালৈকে সাজু হোৱা হ'লে ভাল আছিল। সেই পৰীক্ষাৰ তিনি ভাগ—আটাইতকৈ উচ্চ পৰীক্ষাটো পাছ হোৱা একো অপ্ৰশংসনীয় নহয়। সেই স্কুলত London matric.ৰ নিমিত্তে নিশিকাই দেখি যোৱা নহ'ল। বহুত অভিভাবক থাকিলে যি হয় মোৰো সেই অৱস্থা হ'ল। তিনি মাহমান ঘৰতে পঢ়িছিলোঁ মিসেস্ স্পীয়েৰ্চৰ লগত ফ্ৰেঞ্চ আৰু মিস্ স্পীয়েৰ্চ এজনৰ লগত লাটিন। কেইদিনমান University Tutorial College বুলি এটা কলেজত লাটিন আৰু ফ্ৰেঞ্চৰ "লেছন" লৈছিলোঁ। সিহঁতে ঘণ্টাত পাঁচ খিলিংকৈ লৈছিল—অৰ্থাৎ তিনি টকা বাৰ অনাকৈ। ভাবি চাওক বিলাতত কেনে খৰচ। অৱশেষত মই অকলৈ একন

শিক্ষকৰ সহায় এৰটাৰে পাইছিলোঁ। সকলো লৰাৰে সৈতে একে লগে বহি পঢ়া হ'লে মাহেকত ত্ৰিশ কি পঁয়ত্ৰিশ টকা মাচুল দি লণ্ডন মেট্ৰিকৰ সকলো বিষয়কে শিকিব পাৰিলোঁ হেতেন।

এই খিনিতে মিচ ম্যানিংৰ (Miss manning) কথা আপোনাৰ আগত কওঁ। সেই খিনি সময়ত কি তাৰ কুৰি বছৰৰ আগেয়ে যোৱা ভাৰতবৰ্ষীয় ডেকা সকলে এওঁৰপৰা বিশেষ সহায় পাইছিল। এওঁ ১৯০৫ চনত ইহলোক পৰিত্যাগ কৰে। তেওঁ জাতীয় ভাৰতবৰ্ষীয় সভাৰ চেক্ৰেটৰী আছিল। ভাৰতবৰ্ষীয় জাতীয় সভা বোলাত আজি কালিৰ কনগ্ৰেচৰ (Congress) কথা কোৱা নাই। স্তাশ্যনাল্ ইণ্ডিয়ান্ এচোচিয়েচনৰ কথা হে কৈছোঁ। এই সভাৰ বিষয় সকলোৱে জানে। মিস্ ম্যানিং তেতিয়া ৩৫ নং ব্লোমফিল্ড ৰোড, মেইডা ভেলত (Blomfield Road Maida Vale) আছিল। এই ঠিকনাৰ কথা মই পূৰ্ব্বৰেপৰা জানিছিলোঁ। ৮ডাক্তৰ ৰাধিকাৰাম ঢেকিয়াল ফুকনৰ বিলাতৰ খৰচাদি দেউতাই দিছিল। সাত আঠ বছৰ মান খৰচ লোৱাৰ পাছত ৮ৰাধিকা দাদাই দেউতাক আৰু খৰচ পঠিয়াবলৈ মানা কৰি পঠিয়ালে। দেউতাই খৰচ পঠাই থাকিব বুলি অনাত তেওঁৰ থাকিবৰ ঠিকনা কি আন কোনো ঠিকনা দেউতাক আৰু নজনালে। চিঠি লেখাও বন্ধ কৰিলে। সেই দেখি খৰচ আৰু পঠোৱা নহ'ল। মিস্ ম্যানিংৰ সৈতে ৰাধিকা দাদাৰ পৰিচয় আছিল—দেউতাই মিস্ ম্যানিংকো ঠিকানাৰ কথা লেখিছিল তেওঁ ৰাধিকা দাদাৰ ঠিকনা নেজানিছিল। সেইখিনি সময়ত তেওঁ জন্মনীতি বিজ্ঞান পাঠ কৰিছিল বোধ কৰোঁ। তেওঁ ইংলণ্ডত বিয়া কৰায়। সেই কথা বাৰু পাছত হ'ব—দেউতাৰ মুখৰ পৰা মিস্ ম্যানিংৰ নাম শুনিছিলোঁ। দেউতাই যিখন শেহ চিঠি ৰাধিকা দাদালৈ আমাৰ দেশৰ আমাৰ আত্মীয় বন্ধু কুটুম্বৰ বাতৰি দি লেখিছিল সেই চিঠিখন Miss Manningৰ "কেয়াৰ"ত দিয়াৰ নিমিত্তেই এই মহিলাৰ নাম মোৰ মনত বেছকৈ আছিল। সেই চিঠিখন ১৮৯২ চনৰ শেহত কি ১৮৯৩ চনৰ আৰম্ভত ৩ নং ওল্ড বৈঠকখানা চেকেণ্ড লেনৰ পৰা লেখা হৈছিল। এই বোৰ নানান্ কাৰণৰ নিমিত্তে মিস্ ম্যানিংৰ নাম আমাৰ ঘৰত এটি ঘৰুৱা নামৰ (Household word) দৰে হৈছিল। সেই গতিকে মিস্ ম্যানিংক যেতিয়া বিলাতত দেখিলোঁ তেতিয়া চিনাকী মানুহকে যেন দেখিছোঁ এনে লাগিল। সেওবাৰে আৰু মদনবাবুৰ



আবেলি তেওঁ আলহি সুধিছিল (অৰ্থাৎ তেওঁ সেই দুদিনৰ সেই সময়ত "At Home" আছিল) এদিন দেওবাৰে মিঃ সুৰেন হালদাৰৰ সৈতে মিস্ ম্যানিংৰ তালৈ গলোঁ। এতিয়া যিমান দূৰ মনত পৰিছে তাত সেই দিনা মিষ্টাৰ স্পীয়ৰ্চো আছিল। তেওঁ মিস্ ম্যানিংৰ তালৈ প্ৰায়ে নগৈছিল—সেই দিনা কোনো বিশেষ কাৰণত হে গৈছিল। মৃত্যুলৈকে বোধ কৰোঁ মিঃ স্পীয়ৰ্চ আৰু তালৈ যোৱা নাছিল। তেওঁৰ তাত ভবিষ্যতত থাকিম বুলিয়েই কি ভাৰত বন্ধু মিস্ ম্যানিংৰ ঘৰত বিধাতাই মিঃ স্পীয়ৰ্চ আৰু মোৰে সৈতে চিনাকী কৰিদিলে? মিঃ স্পীয়ৰ্চৰ মৃত্যু ১৮৯৯ চনত হয়। মোৰো সেই দিনা তেঁওৰ লগত চিনাকী হয়। (তেতিয়া লৈকে মই তেঁওৰ তালৈ যোৱা নাছিলোঁ। আৰু কত থাকিম তাৰো ঠিক হোৱা নাছিল)। বিলাত পাবৰ আঠদিনমানৰ ভিতৰতে তালৈ গৈছিলোঁ। তাত বহুত মানুহৰ সৈতে দেখা হল। "At Home" কি বিশেষ জানিব লগীয়া। মিস্ ম্যানিংৰ বিষয়ে আমাৰ এই কালৰ লৰা বিলাকৰ জনা উচিত। সৰহ পাছত।

শ্ৰীজ্ঞানদাভিৰাম বৰুৱা।

গুৱাহাটী।

---

## ৰজাঘৰীয়া পুৰণি চিঠি।

নৰ্ত্তঙ্গীয়া ৰজাই এক 'শ্ৰী'ৰে আমাৰ ৰজালৈ চিঠি দিয়াত আমাৰ ৰজা চক্ৰধ্বজ সিংহই সেই খঙতে জয়ন্তাৰ ৰজাৰ চিঠিৰো উত্তৰ নিদি, তেওঁৰ কটকী ৰমাইক ওভোতাই পঠালে। ৰমাই গৈ সেই কথা জয়ন্তাৰ ৰজাক কলত, জয়ন্তাৰ ৰজাই বৰ বেজাৰ পালে আৰু ৰমাইক আকৌ নিয়মমতে "পঞ্চপত্ৰ" দি আমাৰ ৰজাৰ ওচৰলৈ পঠালে। সেই সময়ত কলিয়াবৰত মোমাই তামুলী বৰ বৰুৱাৰ সৰু পুতেক লাচিত গোহাঞি বৰ ফুকন আছিল আৰু দিহিঙ্গীয়া ফুকনো কলিয়া বৰতে আছিল। ৰমাই কটকীৰ হাতত স্বৰ্গদেও চক্ৰধ্বজ সিংহলৈ লিখা চিঠি এই :—

"কুশলমিহতঃ ভবতাং ভাবুকং সমীহামহে। পৰং তোমাৰ আমাৰ প্ৰীতি আজিৰ মাহৰ; পূৰ্ব্বাবধি চলিয়া আইতেছে; অধিকতৰ অধিক হইবাৰ, তোমাৰি থানে যে কিছু লিখিয়াছিলাম তাৱে শুনিছ; আমি জানিছিলাম ইয়াৰ প্ৰীতিৰ কিছু বাকী

নাৰহিব, তাতে অধিকাধিক হৈব। পূৰ্ব্বে যে আছিল, ‘তাক ভাঙ্গিলায়; আমাৰ কটকীখানি বিদায় কৰিলায়। যদি কোনো ছিদ্ৰ থাকে তথাপিও লেখিবাৰ সে উচিত; আপোনাৰ কটকী দিয়া কহিবাৰ সে উচিত, অকস্মাৎ এমনখান কৰণ কুটুম্বেৰ সহিত ভাল নহয়। সত্য কি মিচা একটা অক্ষৰৰ কাৰণ চিদ্ৰ ধৰিছ। সেও যাৰ কাগতে আছিল; সে আমাৰ সহিত যেমত কৰিতেছে তাক শুনিতেছে। তাৰ ইচ্ছা যেমতি অপ্ৰীত হয়। অতস্পৰ তোমাৰ আমাৰ যদি দৃঢ়তৰতো বহুত প্ৰীতি থাকে তবে কেৰ চুতে ছাড় হৈল নযাই? মধ্যে কেও কিছু কঁহিল কৰিল, ইত্ৰ প্ৰীত নযায়, আৰু আমি কদাচিতো কোন দিন কিছু চিদ্ৰ নাধৰি, যেমতে প্ৰীতি বাঢ়ে তাকে আমি কৰি। প্ৰীতি জুৰিতে অনেক যত্ন লাগে, তুৰিতে কিছু বিলম্ব নাই। অতস্পৰ যেমতে চিত্তে ভালবাসে, প্ৰীতি বাঢ়ে তাকে কৰিবায়। আৰ জয়ন্তী গড়-গাঞো দুই নাহয়, আমি একেসে জানি। এতে যে ভেদ কৰে সত্যভ্ৰষ্ট হৈব আৰ বিশেষ কি লেখিবোঁ। বাকী সমাচাৰ ৰামাই কটকী প্ৰমুখে জ্ঞাত হৈবায়। ইতি শক ১৫৮৭, তেৰিখ ২০, ফাল্গুণ মাস। শ্লোকোপি,

"স্নেহ ছেদেপি সাধুনাং মনো নযাতি বিক্রিয়াৎ।
ভগ্নে পিহি মৃণালানামনুবধ্নন্তিতন্তবঃ॥"

এই চিঠিৰ লগত কম্ম বুঢ়া গোহাঞি, আদি তিনি জন ডাঙ্গৰীয়া আৰু নাচিত বৰফুকনলৈ যি "কোলপত্ৰ" দিছিল, সি এই:—

"স্বস্তি প্ৰচণ্ড ভূজদণ্ডখণ্ডিতাচণ্ডবৈৰি মনোহাৰিনাৰীবিলাস পৰিপাককস্রা মহিমাৰম্ভ শ্ৰীশ্ৰীযুত মহাৰাজ যশমন্তসিংহ প্ৰবলপ্ৰতাপানাং বিবিধগুণগ্ৰামৈকধামপৰম সুপ্ৰতিষ্ঠিত শ্ৰীযুত বুঢ়াগোহাঞি সুচাৰু চৰিত্ৰেষু।"

"পৰমশুভাসি কাৰ্য্যঞ্চ। এথা কুশল, তোমাৰ কুশল সদা চাহি; পৰং তোমাৰ আমাৰ প্ৰীতি অন্ত নাহয়; পূৰ্ব্বাবধি চলিয়া আইতেছে। অধিকত অধিক হৈবাৰ যে কিছু লেখিয়াছিলায়, তাৰে শুনি আছ, তাতে অধিক হৈব, পূৰ্ব্বে যে আছিল তাক ভাঙ্গিলায় আমাৰ কটকীখানি বিদায় কৰিলায়, অস্তপি কোন চিত্ৰ থাকে দেখিবাৰ উচিত, কটকী পঠাই কহিবাৰ উচিত; অকস্মাৎ এমত ভাল নাছিল। সত্য কি মিচা একটা অক্ষৰৰ কাৰণে চিত্ৰ ধৰি আছ। ইও যাৰ কাগতে আছিল। সেও আমাৰ সহিত যে কৰিতেছে শুনিতেছ; তাৰ ইচ্ছা যেমত অপ্ৰীত হয়। অতস্পৰ তোমাৰ আমাৰ দৃঢ়তৰ বহুত প্ৰীতি থাকিলে, মধ্যে কেও কিছু কহিল ঐএ প্ৰীত



নাহয়। আৰু আমি কোনো দিন কিছু চিদ্ৰ নাধৰি। যেমতে প্ৰীতি বাঢ়ে তাকেসে কৰি, প্ৰীত জুৰিতে অনেক যত্ন লাগে, তুড়িতে কিছু বিলম্ব নালাগে। আৰু গড়-গাঞো জয়ন্তী দুই নাহয়, আমি একেসে জানি, এতে যে ভেদ কৰে সে সত্য ভ্ৰষ্ট হৈব। আৰ বিশেষ কি লেখিম, কিমাধিকঃ। বিশেষ বাকী সমাচাৰ ৰামাই কটকীৰ প্ৰমুখে জ্ঞাত হৈবায়। ইতি শক ১৫৮৭, তেৰিখ ২০, ফাল্গুণ মাস। কাপৰ ১খান পঠাইতেছি।"

এই চিঠি বিলাক ১৫৮৭ শকৰ ফাগুন মাহত পঠাইছিল কিন্তু ১৫৮৮ শকৰ ৪ আহিনত হে আমাৰ ওচৰ পালেহি অৰ্থাৎ ৮ মাহৰ মূৰতহে আমাৰ দেশ পালেহি।

এই চিঠি দুখনৰ পৰা দেখা যায় যে ৰজাৰৈ যি মূল পত্ৰ আহে কোল পত্ৰ বিলাকো তাৰে প্ৰায় অবিকল নকল। অৱশ্যে বেলেগ বেলেগ বিষয়াৰ চিঠিত বেলেগ বেলেগ শিৰোনাম থাকে। জয়ন্তা ৰজা যশমন্তসিংহৰ চিঠিখন যে অতি প্ৰীতিৰ ভাবেৰে লেখা তাৰ অলপো ভুল নাই। জয়ন্তা ৰজাৰ চিঠিৰ ভাষা যে অসমীয়া আছিল তাক সকলো জনা মানুহে স্বীকাৰ কৰিব। ইয়াৰ পৰা এইটো বিশেষ ভাবে দেখা যায় যে আঢ়ৈশ বছৰৰ আগলৈকে জয়ন্তাৰ মানুহৰ ভাষা অসমীয়াই আছিল। জয়ন্তাৰ ৰজাৰ চিঠিৰ পৰা আৰু এটা কথা ভালকৈ বুজিব পাৰি যে, নৰ্ত্তঙ্গীয়া ৰজাৰ লগত তেওঁৰ আন্তৰিক বিশেষ সম্ভাৱ নাছিল। আমাৰ ৰজাৰ লগত যাতে জয়ন্তাৰ ৰজাৰ সম্ভাৱ নহয়, নৰ্ত্তঙ্গীয়া ৰজাৰ সেয়ে ইচ্ছা আছিল; অন্ততঃ জয়ন্তা ৰজাৰ এয়ে বিশ্বাস।

জয়ন্তা ৰজাৰ ওপৰত দিয়া চিঠিৰ উত্তৰত আমাৰ ৰজা চক্ৰধ্বজসিংহে এই দৰে লিখিলে:—

"এথা কুশল! তোমাৰ কুশল সৰ্ব্বদা চাহি, পৰং তোমাৰ লিখা আসিল। সমাচাৰ প্ৰীতি পূৰ্ব্বকে জানিলো। আৰ দেখ তুমি বুলিছা বোলা পূৰ্ব্ব প্ৰীতি গোট ভাঙ্গিলা; ইখান আগপাচ বিমৃশা কৰি বোলনসে উচিত। পূৰ্ব্বাপৰে যেমত ধাৰাণ উকীলপত্ৰ গতাগত কৰিছে এখনো তেমত ধাৰাণে উকীলপত্ৰ গতাগত কৰিলেগে পূৰ্ব্ব প্ৰীতিগোট ৰহে। পূৰ্ব্ব ধাৰাণগোট নাৰহিলে পূৰ্ব্ব প্ৰীতিগোট কেমনে ৰহিব। অতএব তোমাৰ ঠাইৰ পৰা যেমন পূৰ্ব্ব ধাৰাণ এড়ি পত্ৰ আসিল, তেমন মৃণালৰ প্ৰায় পূৰ্ব্ব প্ৰীতি গোট, তোমৰাসে ভাঙ্গিলা! তন্তুৰূপে মঞি পূৰ্ব্ব প্ৰীতিতে ৰহিছোঁ। কিন্তু পূৰ্ব্ব ধাৰাণ এড়ি পত্ৰ আসিল যিকাৰণ এই কাৰণেসে মঞি উকীল পত্ৰ

নপঠালোঁ। আৰ সত্য অসত্যৰ কাৰণ যি লিখিলা, আমি যি দায় ধৰিলো তাক তুমি সত্য হেন জানিহে দণ্ড কৰিলা। আৰ তুমি যেমন গৰগাঞো জয়ন্তী এক হেন জানিছা, আমিও তেমনে একসে জানিছোঁ। এহুৱাতো যি ভেদ কৰি কাকত লিখিলে, সি সত্য ভ্ৰষ্ট হোৱনেসে উচিত। আৰু অধিক কি কহিম, তুমি আপুনি সমস্তে জানা, আৰু যি কিছু বাকী সমাচাৰ হয়, তাক শ্ৰীৰামে ও জয়কৃষ্ণে কহিবেক। আৰু তোমাৰ অৰ্থে পত্ৰ সন্দেশ, কতিপা ১, কিৰ্ম্মিজ ১, চ়ড়া ২খান, কস্তুৰী ৪, মৰিচ ৪ টোপা, চামৰ ৪, গাঠিয়ন ১ মোনা, কটকী ২খান। ইতি শক ১৫৮৮, তেৰিখ ৮, মাস আঘ্ৰণ ॥"

এই চিঠিৰ লগতে আমাৰ পাত্ৰ মন্ত্ৰী সকলেও, ওপৰৰ চিঠিৰ ধাৰণেই আৰু চাৰিখন চিঠি পঠাইছিল।

শ্ৰীহেমচন্দ্ৰ গোস্বামী।

---

# দ্ৰৌপদী আৰু সত্যভামাৰ কথোপকথন।

পাণ্ডৱসকল বনবাসত থাকোতে কোনো এদিন দ্ৰৌপদীৰ লগত সত্যভামাৰ সাক্ষাৎ হৈছিল। উভয়ে নিৰ্জ্জন স্থানত বহি অতি হৰ্ষ আৰু প্ৰীতি প্ৰফুল্ল চিত্তে কথাবাৰ্ত্তা হবলৈ ধৰিলে। তেওঁবিলাকে বহুদিনৰ মূৰত দেখা সাক্ষাৎ হবলৈ পাই যৎপৰোনাস্তি আনন্দেৰে কুৰুপাণ্ডৱৰ আৰু যদুবংশৰ বিষয় সদালাপ কৰিবলৈ ধৰিলে। পাছে সত্যভামাই দ্ৰৌপদীক নিৰ্জ্জনে এটা কথা শুধিলে, হে দ্ৰৌপদী, তুমি কি উপায়েৰে কেনেকৈ লোকপাল সদৃশ বীৰ্য্য সম্পন্ন দৃঢ়কায় আৰু সম্পূৰ্ণ যুৱ তোমাৰ পঞ্চপতিক বশ কৰি ৰাখিছা, কেনেকৈ আমি দেখোন এদিনো তোমাৰ লগত ঠোটা মোজা এটাকে লগা শুনা নাই আৰু কেউ জনে সমানে তোমাক স্নেহ কৰে, একেবাৰ গালি সপনি কে নেপাৰে, তুমি কিবা মন্ত্ৰ বা দৰব জানালে কি? যদ্বাৰা তেওঁলোকক বশীভূত কৰি ৰাখিছা, মোক তুমি সকলো কথা কব লাগে যাতেময়ো মোৰ স্বামীক তোমাৰ দৰে বশ কৰি ৰাখিব পাৰোঁ। দ্ৰৌপদীয়ে তাতে সত্যভামাৰ কথা শুনি হাঁহিবলৈ ধৰিলে আৰু কলে যে হে সত্যভামা, তুমি জনা শুনা তিকতা হৈও অসতী তিকতা বিলাকৰ কথাৰ প্ৰসঙ্গ উলিয়াইছা। তুমি



নিশ্চয় জানিবা মন্ত্ৰ বা ঔষধৰ দ্বাৰা স্বামীক বশ কৰিব নোৱাৰি, অৱশ্যে এনে কথা শুনা আছে যে কোনো কোনো তিকতাই স্বামীক বশ কৰিবলৈ আহদি খুৱায়, কিন্তু বশ কৰোক ছাৰি গিৰিয়েকক জাউটি যুগীয়া কৰি কগীয়া আৰু অকৰ্ম্মণ্য কৰি পেলায়। তেনে কাম কৰিলে, মাত্ৰ উভয় কুল নষ্ট হয়, স্বামীৰ কোনো প্ৰকাৰে অনিষ্ট কৰা সতী তিকতাৰ কৰ্ম্ম নহয়। নিজৰ বুকত নিজে কুঠাৰ মাৰি যাবজ্জীৱন উভয়ে দুঃখ ভোগ কৰি থাকিব লগীয়াত পৰে।

হে সত্যভামা, মই মহাত্মা পাণ্ডৱ সকলক কেনেকৈ কি আচৰণৰ দ্বাৰাই সন্তোষিত ৰাখিছোঁ সেই কথা মই তোমাক বাৰু কওঁ শুনা। মই সদা সৰ্ব্বদা অহংকাৰ লোভ ক্ৰোধ অসূয়া ইত্যাদি পৰিত্যাগ কৰি তেওঁলোকৰ পৰিচৰ্য্যা কৰোঁ, বেয়া কথা বেয়া ঠাইত থকা বেয়া ঠাইলৈ যোৱা অসৎ মতা মাইকীৰ লগত কথোপ-কথন ইত্যাদি মই কেতিয়াও নকৰোঁ, কি দেৱতা কি মনুষ্য কি গন্ধৰ্ব্ব কি যুৱা কি শুৱনি পুৰুষ কি ধনবান কি ৰূপবান্ কালৈকো মই দৃষ্টিপাতকে নকৰোঁ। স্বামীয়ে নেখাই মানে মই নেখাওঁ নোশোৱে মানে মই আগধৰি নোশোঁ, এনে কি ঘৰৰ বন্দিবেটিকে খুৱাই বুৱাই শুৱাই হে মই পাছত চাৰিউ ফালে চাই চিন্তি শোঁৱোঁ, মই সকলোৰ আগেয়ে শয্যাৰপৰা উঠোঁ আৰু সকলোৰ পাছত শয়ন কৰোঁ।

স্বামী স্থানান্তৰৰপৰা ঘৰলৈ ঘূৰি আহিলে মই অন্যক অপেক্ষা নকৰি আৰু বাগি নধৰি স্বয়ং নিজ হাতে খোৱা বস্তুকে আদি কৰি যি প্ৰয়োজন হয় তাক প্ৰস্তুত কৰি দিওঁ। ঘৰৰ বস্তু বেহানি পৰিষ্কাৰ পৰিচ্ছন্ন কৰি যত যি থব লাগে ঠিক মতে ৰাখোঁ। মই কোনো লোকক আনকি বন্দিবেটীকো গালি শপনি নেপাৰোঁ আৰু বেয়া মাতেৰে নেমাতোঁ। এলাহ কেনেকৈ কৰে মই তাক একেবাৰেই নেজানো। মই সদায় স্বামীৰ মন যোগাওঁতেই দিন যায় আৰু তাকে কৰিলেই মইবৰ সন্তোষ হৈ থাকোঁ। স্বামী কোনো কাৰ্য্যত প্ৰবাসত থাকিলে স্বামীৰ অনুপস্থিত কালত বেশ ভূষা অলঙ্কাৰ ইত্যাদি পৰিধান নকৰোঁ। আৰু স্বামীয়ে যি বস্তু নেখাই ময়ো তাক নেখাওঁ, স্বামীয়ে যেতিয়াই যি আজ্ঞা দিয়ে, সুচাৰুৰূপে সম্পাদন কৰোঁ। মোৰ শাহু আইক সাক্ষাৎ মাতৃৰ দৰে শুশ্ৰূষা আৰু সেৱা সৎকাৰ কৰোঁ; মই জানো স্ত্ৰীৰ পতিয়েই পৰম গুৰু তেওঁৰ শুশ্ৰূষাই স্ত্ৰীৰ সনাতন ধৰ্ম্ম, পতি যদি সন্তোষ থাকে সেই স্ত্ৰী সকলো দোষৰপৰা মুক্ত হৈ স্বৰ্গগামী হয়। মোৰ সাৱধানতা উদ্যমশীলতা আৰু গুৰু শুশ্ৰূষাৰ দ্বাৰাই স্বামী সকল মোৰ বশতাপন্ন হৈছে

হে সত্যভামা, মোৰ এইয়ে বশীকৰণ মন্ত্ৰ আৰু দৰৱ অন্য যদি কিবা আছে মই একো নেজানো। তুমিও তোমাৰ স্বামীক এই দৰে শুশ্ৰূষা আৰু ভক্তি কৰিবা, ধৰ্ম্ম অৰ্থ কাম তিনিও বৰ্গ সিদ্ধি হব, তিকতাৰ পক্ষে পতিক সন্তোষ কৰাই ধৰ্ম্ম সাধনৰ মূল। তিকতাৰ পতি শুশ্ৰূষাতকৈ অন্য ধৰ্ম্ম নাই সাক্ষাৎ চৈতন্য ব্ৰহ্ম ভাবি উপাসনা আৰু ভক্তি কৰিবা। সত্যভামাই দ্ৰৌপদীৰপৰা এই জ্ঞান পাই, শ্ৰীকৃষ্ণ মহাপ্ৰভুক সৰ্ব্বপ্ৰকাৰে বশ কৰি ৰাখিছিল। মহাপ্ৰভুৱে স্বৰ্গৰপৰা সুৰতৰু পাৰিজাত আনি সত্যভামাৰ মন্দিৰৰ আগত ৰোৱাই দিছিল। তাকে দেখি তেওঁৰ প্ৰধান মহিষী ৰুক্মিণী আইয়ে মনত বেজাকে পাইছিল।

দ্ৰৌপদীৰ মহৎ গুণৰ বিষয় আৰু এটি বিবৰণ শুনা, কুৰুপাণ্ডৱৰ যুদ্ধ হৈ থাকোঁতেই, যেতিয়া ভীমে দুৰ্য্যোধনৰ উৰু ভঙ্গ কৰিলে, অশ্বত্থামাবীৰে দুৰ্য্যোধনে ভাল পাব বুলি দ্ৰৌপদীৰ পাঁচোটা লৰাৰ মূৰ কাটি আনিলে। লৰা পাঁচোটি শিবিৰত শুই আছিল। অশ্বত্থামাই কোনো প্ৰতাৰণা দ্বাৰাই ভিতৰত সোমাই লৰা কেইটাৰ মূৰ কাটি আনি দুৰ্য্যোধনক দিলেহি কিন্তু দুৰ্য্যোধনে অশ্বত্থামাৰ সেই কৰ্ম্মত প্ৰীতি প্ৰকাশ নকৰি বৰং ভৰ্ৎসনা কৰিলে। কাৰণ নিন্দনীয় কৰ্ম্ম সকলোৱে ঘৃণা কৰে। দ্ৰৌপদীয়ে লৰা পাঁচোটিক বধ কৰা শুনি নানা প্ৰকাৰ মৃত বৎসা গৰুৰদৰে কান্দি বিহ্বলা হল, পাছে অৰ্জ্জুনে সান্ত্বনা কৰি কলে যে তুমি বেজাৰ নকৰিবা সকলো ঈশ্বৰৰ ইচ্ছা। তথাপি মই সেই পাপাধম শিশুবধী ব্ৰাহ্মণৰ মূৰ কাটি আনি তোমাৰ আগত পেলাই দিমহি, তুমি সেই মূৰত বহি গাধুৱা তেন্তে তোমাৰ শোকৰ শান্তি হব আৰু শৰীৰ শীতল হব। ইয়াকে কৈ অৰ্জ্জুনে গাণ্ডিৱ ধনুলৈ ৰথেৰে অশ্বত্থামাক খেদি গল। অশ্বত্থামাই অৰ্জ্জুনক খেদি যোৱা দেখি ৰথত উঠি বেগাই পলায়ন কৰিলে। কিন্তু অৰ্জ্জুনৰ হাতৰপৰা সাৰিব নোৱাৰা দেখি অৰ্জ্জুনলৈ ব্ৰহ্মাস্ত্ৰ মাৰি পঠালে। সেই অস্ত্ৰ প্ৰাণৰ সঙ্কটত মাৰিলে হয় কিন্তু তাক সম্বৰণ কৰিবৰ নিয়ম ও মন্ত্ৰ নেজানে। অৰ্জ্জুনে ভয় পাই শ্ৰীকৃষ্ণক স্তুতি কৰিবলৈ ধৰিলে। তেওঁ পৰামৰ্শ দিলে যে তুমি ব্ৰহ্মাস্ত্ৰ সম্বৰণ কৰাঁ মন্ত্ৰ জানা, তোমাৰ নিজৰ ব্ৰহ্মাস্ত্ৰ মাৰি দিয়া, পাছে দুইখন ব্ৰহ্মাস্ত্ৰ লগ লাগিলে দুইখনকে একেবাৰেই সম্বৰণ কৰি আনিবা। অৰ্জ্জুনে শ্ৰীকৃষ্ণৰ আদেশ মতে কৃতকাৰ্য্য হৈ অশ্বত্থামাক ধৰি বান্ধি আনি দ্ৰৌপদীৰ আগত পেলাই দিলেহি। শ্ৰীকৃষ্ণ আৰু ভীম প্ৰভৃতি সকলোৱে সেই শিশুবধীৰ মূৰ কাটি পেলাবলৈ অনুমোদন কৰিলে।



দ্ৰৌপদীয়ে হাতে ভৰিয়ে বান্ধি অনা অশ্বত্থামাক দেখি ক্ৰোধ প্ৰকাশ নকৰি বৰং নমস্কাৰ কৰিলে। অশ্বত্থামাই লাজত তলমূৰৰপৰা ওপৰ মূৰ কৰিবৰ সমৰ্থ নহল দ্ৰৌপদীয়ে অৰ্জ্জুনক কলে যে এওঁ আমাৰ গুৰু পুত্ৰ আৰু ব্ৰাহ্মণ এওঁক ইমান দূৰ শাস্তি দিব নেলাগে আৰু বধ কৰিবৰো যোগ্য নহয়, আমাৰ কপালত যি আছিল সেইটো হৈ গল। এওঁ মাকৰ একেটিলৰা মাথোন তাতে মাক বিধৱা, গিৰিয়েক দ্ৰোণাচাৰ্য্য যুদ্ধত মৃত্যু হৈছে। এই লৰাতিকে বুকত বান্ধি লৈ মুখ জুৰাই আছে। মই যেনেকৈ হিয়া ভুকুৱাই কান্দিছোঁ। তেওঁক তেনেকৈ কন্দুৱাবৰ প্ৰয়োজন নাই, এতেকে তেওঁক বান্ধ মোকোলাই দি এৰি দিয়াঁ, মই সহিবপৰা নাই।

যুধিষ্ঠিৰ মহাৰাজা প্ৰভৃতি সকলোৱে দ্ৰৌপদীৰ এই ধৰ্ম্মযুক্ত কথা শুনি আৰু তেওঁৰ দয়াৰ পৰাকাষ্ঠা দৰ্শন কৰি, তেওঁৰ কথা অনুমোদন কৰিলে। অশ্বত্থামাক শ্ৰীকৃষ্ণৰ উপদেশানুসাৰে শিবিৰৰপৰা বাহিৰ কৰি খেদাই দিলে।

দ্ৰৌপদীৰ পতিব্ৰতা আৰু সদাশয় গুণ দেখি পণ্ডিত সকলে তেওঁৰ নাম প্ৰাতঃস্মৰনীয় কৰিলে।

শ্ৰীশুভদা দেৱী।

---

# কইনা-ঘৰ পালে গোৱা নাম।

শিৰ। কৃষ্ণৰ অলকাৰ গৃহ আসি পালে,
লোৱাঁহি কৰুণী বাছিহে।
আজিৰপৰা হলা পৰৰে ঘৰিনী,
ওলোৱাঁ কাচন কাছি হে।
কৃষ্ণৰে জাননী পালেহি কৰুণী,
লোৱাহি মাথা দোৱাই হে।
তোমাৰ শাহুআয়ে চেনেহেৰে দিয়ে,
আনিছোঁ শৰাই ভৰাই হে।
কৃষ্ণৰে ঘৰৰপৰা যি যি আনিছোঁ,
হাত জোৰ কৰি লোৱাঁ হে।

নাবাৰা সাজেৰেই হৈ আছা গাভৰু,
এতিয়া সাজ সলোৱা হে।
মাৰাৰ অলঙ্কাৰ থোৱাঁহে আইটি,
দেউতাৰাৰ অলঙ্কাৰ থোৱাঁ।
যাৰকাৰ কৃষ্ণৰে অলঙ্কাৰ আনিছোঁ,
অতি সাদৰেৰে লোৱাঁ।

শ্ৰীপদ্মাৱতী দেৱী ফুকননী।

---

# At Home আৰু Not At Home.

কলিকতা গুৱাহাটী ইত্যাদি ডাঙৰ চহৰত ইউৰোপীয় সকল থকা ঘৰবোৰৰ দুৱাৰ মুখত "Not at Home" লেখা এটা সৰু বাকচ দেখিবলৈ মাজে মাজে পোৱা যায়। তাৰ মানে হৈছে যে ঘৰৰ গৃহিণী জনাৰ সেইখিনি সময়ত বাহিৰা মানুহৰ সৈতে দেখা কৰিবৰ সময় নাই। তেতিয়াই কিন্তু আন মানুহৰ গৃহিণী সকলে সেই বাকচটোত গিৰিয়েকৰ দুখন আৰু নিজৰ এখন নাম লেখা সৰু ডাঠ পাত সেই বাকচটোত ভৰাই থৈ যায়। সেইটো দিয়াতে জনা যায় যে তেওঁ আৰু তেওঁৰ গৃহিণীয়েকে দেখা কৰি গ'ল। ডাঠ পাত ( Card ) খনৰ কথা যে কৈছোঁ তাতে গৃহিণীজনাৰ কাৰ্ড খনৰ একাষত "At Home on Thursday" কি আন কোনো দিনৰ কথা লেখা থাকে, সময়ো লেখা থাকে। আকৌ সেই তেনে কৰি আন জনা গৃহিণীয়ে সি জনৰ ঘৰৰ বাকচটোত পাত দি যায়। তাৰ পাচত এজনে হয়তো আন এজনক চাহ পানী এটুপী খাবলৈ মাতে। যি দিনা "At Home" সেই দিনা গ'লে চাহ পানী বিলাতী পিঠা ৰুটী ইত্যাদি খাবলৈ পোৱা যায়। ইয়াৰ দ্বাৰা প্ৰীতি ভাবৰো উন্নতি হৈ থাকে অথচ সময়ো সৰহ অযথা নষ্ট নহয়।

ব্ৰিটিচ জাতিয়ে সময়ৰ মূল্য অতি ভালকৈ বুজে। সকলো কথাতে ঘড়ীৰ কাঁটাৰে সৈতে চলে। আমি যেনেকৈ ৰেল ধৰিবৰ নিমিত্তে ঠিক ঘড়ি চাই ৰেলৰ প্ৰত্যাশা কৰোঁ। ( যদিও কোনো কোনো ৰেলৰ লাইনে এই দেশত কি বিলাততো ঠিক সময় কেতিয়াবা ৰাখিব নোৱাৰে ) সেই দৰে ব্ৰিটিচ জাতিৰ সকলো কামতে ঘড়ীৰ দৰ্কাৰ। এজন ভদ্ৰ মানুহৰ জেপত ঘড়ি এডুখৰি লাগেই, তাৰ লগত উৰ্মাল, পেন্‌চিল, ইত্যাদি লাগে—নোট বুক এডুখৰি থাকিলেও জানিবা বেয়া নহয়। এই "নোট বুকত" কেতিয়া কি কৰিব লাগে, কাৰ সৈতে কেইটা বজাত দেখা কৰিব লাগিব, কেতিয়া কোন সময়ত ক্লাচত হাজিৰ হব লাগিব সেইবোৰ লেখি থোৱা যুগুত—এই বিষয় সৰহকৈ বহলাই নকলেও হয়। আটায়ে ইয়াত "নোট বুকৰ" মোল বুজোঁহঁক। বিলাতত ঘৰৰ লিগিৰি জনীয়ে যেতিয়া "টাইম্ পিচ্" ধৰি লৈ শোৱা খোটালীলৈ যোৱা দেখা যায় তেতিয়াহে প্ৰথমে যোৱা মানুহৰ আচৰিত লাগিব। তাইয়ে আকৌ ৰাতি পুৱা উঠি ঘৰ দুৱাৰ-সাৰি পুৱাৰ ভোজনৰ ব্যৱস্থা কৰিব লাগিব নহয়; আৰকালি কোনো কোনো খোটালীত জুহালত জুই ধৰি ঘৰ তপত কৰি ৰাখিব লাগিব নহয়। ৰাতি-পুৱা ঠিক সময়ত খাই বৈ ঘৰৰ মুনিহবোৰ কি কোনো ঠাইত তিৰুতাবোৰো দিহাদিহি দৈনিক কাৰ্য্য কৰিবলৈ যাব লাগিব নহয়। সচাঁকৈয়ে তালৈ গলে প্ৰথমে এই সময় জ্ঞানটো punctuality জাগি উঠে। তাৰ মানুহে এই কথা বেছ ভালকৈ বুজে যে এজনে যদি আন এজনৰ সৈতে দেখা কৰিবলৈ এটা সময় নিৰ্দ্ধাৰিত কৰে সেই সময়ত দেখা কৰিব লাগিব নহলে আনজনে হয়তো সেই সময়ত আন কাম কৰিলে হেঁতেন আৰু সেই কামৰ সময় এনেয়ে যায়। যদি সেই সময়ত ( বিশেষ কোনো সময়ত ) দেখা কৰিব পৰা নেযায় তেন্তে টেলিগ্ৰাম দি সেই বিষয় জনোৱা উচিত। তাত টেলিগ্ৰাম ছয় অনাত যায় আৰু ইংলণ্ডৰ এমূৰৰপৰা সিমুৰলৈ এঘণ্টা মানত এখন [illegible] কাকত অহা যোৱা কৰিব পাৰে। মাজতে ইয়াত চাবি, অনাৰ টেলিগ্ৰামৰ সৃষ্টি হোৱাত মানুহে টেলিগ্ৰাম বেছি কৈ কৰিছিল। বিলাতৰ অভ্যাস বশতঃ এখন টেলিগ্ৰাম এদিন হাওৰাৰপৰা বালীগঞ্জলৈ কৰিছিলোঁ। কিন্তু মই তাৰৰ চিঠিৰ আগেয়ে পালোঁগৈ, বিলাতত কিন্তু এনে নহয়। আজি কালি হলে ইয়াত তাৰৰ কাকতৰ ব্যৱস্থা ভাল হৈছে যদিও পহিলা ডিচেম্বৰ তাৰিখৰ পৰা ছয় অনাৰ ঠাইত আঠ অনা হোৱাত অলপ পয়চা বেছি মোনাৰপৰা দিব লগীয়াত পৰিছে।

এই সময়ৰ সদ্ব্যৱহাৰৰ নিমিত্তে মোৰ মনেৰে "at home"ৰ সৃষ্টি। বিলাতত যে তিৰুতাৰ মেল নাই এনে কথা আমি নকওঁ। "গচিপ্ কথা ভাবি চাওক—গপ্ আৰু গচিপ্ দুয়ো একে; গপ্ জানিবা আমাৰ মুনিহৰ আৰু গচিপ্ তাৰ তিৰুতাৰ। আৰু বিলাততো যে সময়ৰ অসদ্ব্যৱহাৰ কৰা মানুহ নাই তাকো নকওঁ

ভাল যেয়া সকলো দেশতে। কিন্তু সময়ৰ সদ্ব্যৱহাৰ কৰা গুণটো ব্ৰিটিচ্ জাতিৰ বিশেষ গুণ সেই দেখিয়েই ইয়াত ইমান বহলাই লেখিছোঁ। "পাংক্ চুয়েলিটিৰ" কাৰণ তাত নানান্, তাৰে এটা লেখি থাকোঁতেই মোৰ মনত উদয় হৈছে, সেই দেখি লেখোঁ। বিলাতত দিনবোৰ চুটী, যদি সকলো কাম সময় মতে তাত কৰা নেযায় তেনেহলে কামৰ অন্ত কেতিয়াও নহয়। সেই দেখিয়েই কোনো এজন ডাঙৰ মানুহে এজন ডিউকৰ কথা কওঁতে কৈছিল যে "অমুক ডিউকে ৰাতিপুৱা আধা ঘণ্টা হেৰুৱাই তাকে বিচাৰি থাকোঁতে তেওঁৰ গোটেই দিনটো যায়।" আমাৰ মানুহেও সময়ৰ মোল যে বুজে তাক নকওঁ। যি সকলে বুজে তেওঁলোকে সঁচা সঁচিকৈয়ে সৰহ দিন জীয়ে। যদিও বা কেতিয়াবা দীৰ্ঘ জীৱন সকলো মানুহৰ কপালত নঘটে কিন্তু কাম কৰি প্ৰতি মুহূৰ্তৰ সদ্ব্যৱহাৰ কৰাৰ নিমিত্তে সেই বয়সৰ আন এলেহুৱা মানুহতকৈ বেছি কাম কৰি দীৰ্ঘজীবী এজনৰ দৰে কাম কৰি নিজৰ পৰিয়ালৰ, সমাজৰ, পৃথিবীৰ উন্নতি সাধন কৰিব পাৰে।

মিচ্ ম্যানিংৰ সৈতে প্ৰায় প্ৰতি সপ্তাহে দেখা কৰিবলৈ গৈছিলোঁ। এই ভাটি বেলাৰ "at Home" বোৰত সৰহ সময় থকা নিয়ম সঙ্গত নহয়—কুৰি মিনিট কি আধা ঘণ্টাই যথেষ্ট। কোনো কোনো "at Home" বিশেষ ভাৱে হয়—সেইবোৰত বেছি সময় থাকিব পাৰি। তেনেবোৰ সামাজিক সভাক "at Home" নকৈ বেছি ভাগক পাৰ্টি ( party ) বোলা হয়। মিচ্ ম্যানিংৰ বয়স সেই বিৰিঞ্চিয়ত ষাঠি মান আছিল কিন্তু থোজ কঢ়া দেখিলে কোনেও ষাঠি বছৰীয়া বুলি জানিব নোৱাৰিছিল। তেওঁ মাজে মাজে ভাৰতবৰ্ষীয় শিক্ষাৰ্থী কি আন মানুহক লৈ লণ্ডনৰ কিম্বা ওচৰৰ চুবুৰিয়া ঠাইৰ চাব লগীয়া ঠাই সকলৈ গৈছিল। তেওঁ হয়তো কৈছিল যে " We shall all meet under the clock at Charing Cross at 12 " ( যে বাৰ বজাত চেয়াৰিং ক্ৰচ্ ষ্টেচনৰ ঘড়িৰ তলত আমি আটায়ে গোট খামহঁকগৈ )—পাছত সেই সময়ত আটায়ে গোট খোৱা হ'লে সেই ষ্টেচনৰপৰা নতুবা আন ঠাইৰপৰা ৰেল কিম্বা অম্‌নিবাচ লৈ আমাৰ গন্তব্য স্থানলৈ গৈছিলোঁ। এবাৰ তেওঁৰে সৈতে এনেকৈ Woolwich arsenal ( উলিচ্ আৰ্চনেল ) চাবলৈ গৈছিলোঁ। সেই দিনা মোৰ আন ঠাইত অলপ কাম আছিল। Chancery Laneৰ ( চান্সাৰি লেন ) পৰা এখন অম্‌নিবাচ ( Omnibus ) চেয়াৰিং ক্ৰচলৈ ( Charing Cross ) ল'লেঁ



ৰাটত সেই দিনা বৰ গাড়ী ঘোড়া। আগেয়েই কৈছোঁ যে লণ্ডনৰ ডাঙৰ ডাঙৰ ৰাটত সাধাৰণতঃ গাড়ী ঘোড়া মানুহ দুনুহৰ এনে কলৰব আৰু কোলাহল আমাৰ ভাৰতৰ যি কোনো ঠাইৰেপৰা হওক এজন মানুহগৈ তেনে কলৰব আৰু কোলাহল দেখি সহজে ভাবিব যে আজি কিবা মেলা হবলা অথবা আজি কিবা চহৰত হৰ যেন পাওঁ। কিন্তু মেলাও নহয় অথবা বিশেষ একো ঘটনা কিম্বা কাণ্ডও নহয়, সেইটো সেই চহৰৰে ৰীতি নিত্য নিমিত্তিক কাম Chancery Laneৰ ( ফ্লীট্ ষ্ট্ৰীটৰ কালে, জগদ্বিখ্যাত অমৰ বিজ্ঞ জন্সনৰ ফ্লীট্ ষ্ট্ৰীট্ ) পৰা Charing Cross লৈ এমাইলো নহয়—কিন্তু সেই দিনা গাড়ী ঘোড়াৰ ইমান সংগ্ৰাম আৰু সংগ্ৰাম যে মই এবাৰ ভাবিছিলোঁ। বোধ কৰোঁ চেয়াৰিং ক্ৰচ্ আৰু ঠিক সময়ত নেপাওঁ গৈ। বাচ্ খন অলপ যায় আৰু ডাঙৰ দীঘল পুতল কনিষ্টবলৰ তৰ্জ্জনী আৰু হাতৰ ঘূৰণিত পদে পদে গাড়ী খন ৰই যায়। গাড়ী ঘোড়া যোৱা অহাৰ ( Traffic ) বন্দবস্ত লণ্ডনত কেনে হয় সেই বিষয় অহা বাৰে ক'ম বুলি ভাবিছোঁ। কিন্তু যি হওক ঠিক সময়ত গন্তব্য ঠাই পালোঁগৈ। লাজত নপৰিলোঁ।

শ্ৰীজ্ঞানদাভিৰাম বৰুৱা।

---

# গীত।

( দোৱা পুজা উপলক্ষে তিন চুকীয়া নাট্য-সমাজে কৰা 'জয়মতী' অভিনয়ত গদাধৰে গাইছিল )

কত নো কুৱঁৰী আছাগৈ সাদৰী।
জীৱন পৰাণ আনন্দে উছৰ্গি॥
পুৱতী নিশাত মোহিনী বেলাত,
এৰি থই গলোঁ প্ৰকৃতি কোলাত।
কুলিয়ে মাতোঁতে লাই নৌ উঠোতে,
আতৰি আহিলোঁ চকু পচাৰতে॥
প্ৰাণৰ পুতলি হিয়াৰ দাপোন
নোৱাৰে মাতিব কুটুৱাই মাত।
নোৱাৰে সহিব অকনো আমনি
টাউকি মাৰকি কেচুৱা গাত॥

৺প্ৰেমধৰ চলিহা

---

# পৃথিৱী।

বিস্তৃত বিশাল দেহে,
তুমিহে ধৰণী।
বইছা কতনো ভৰা,
হইয়া ৰমণী॥

তোমাৰ হিয়াত বাস,
কৰি যত নৰে।
তোমাৰ কোমল দেহে,
অত্যাচাৰ কৰে।

নীৰৱে সকলো সহা,
তুমি সৰ্ব্বংসহা।
প্ৰাণীৰে নিবাস হেতু,
অপি নিজ দেহা।

ক্ষমাৰ আধাৰ তুমি,
হেৰা বসুমতী।
ক্ষমি থাকা সকলোকে,
আও কাণ পাতি।

ক্ষমাৰ আদৰ্শ কৰি,
সাতোটি দ্বীপেৰে তৰ,
দেহ বিভাগিলে।
সসাগৰা সপ্তদ্বীপা,
তুমি হে পৃথিৱী।

গন্ধে গুণে উৎপন্না,
ক্ষমাময়ী দেৱী।
নোহোৱা অধিন কাৰো,
স্বাধিনা ধৰনী॥



বিচাৰে কৰিব নৰে,
তোমাক অধিনা।
কত ৰজা মহাৰজা,
ৰাজ ৰাজেশ্বৰে।
তোমাৰ নিমিত্তে কত,
যুঁৰ কৰি মৰে।
কত জনে কত দৰে,
তবু অংশ কৰি।
মোৰ মোৰ কৰি মৰে,
তৱ মায়াত পৰি॥
নোহোৱা তুমি তো কাৰো
চিৰদিন লই।
দুদিনীয়া মানৱক
থোৱা মুগ্ধ কই॥

কৃষ্ণা—

---

# মঙ্গল প্ৰাৰ্থনা।

## গান।

(আমি) বজাৰ মঙ্গল কামনা প্ৰভু;
মাগিছোঁ বন্দনা গানে।
(প্ৰভু) তোমাৰ করুনা কিৰণ শক্তি,
ঢালাহে মঙ্গল দানে॥
করুনা বিতৰি ৰখা প্ৰভু শান্তি,
মঙ্গল মলয় দিয়া।
তুমি কৃপা কৰি ৰুটিছ বাজাৰ,
বিঘিনি গুচাই নিয়া॥

সৱল গোহাৰী কৰোঁ ভগবান,
ৰাখিবাহে কৃপা কৰি।
দীৰ্ঘ জীৱী কৰি সম্রাট সম্রাজ্ঞী
বিনাশি আপদ বৈৰী॥

শ্ৰীযমুনেশ্বৰী শইকীয়া।
গোলাঘাট।

---

## বাটচৰা।

বহুতে ৰাতি টোপনি-নহা ব্যাধিত ভোগে। তেওঁলোকে নিউইৰ্কৰ এজন ডাঙৰ ডাক্তৰৰ এই কথাটি মনত ৰাখিলে গুণ পাব পাৰে :—"মই হেজাৰ হেজাৰ ৰোগী দেখিছোঁ, কোনেও নিজৰ গাকটো স্বাস্থ্য ৰক্ষাৰ বিধান মতে ভালকৈ পাতি লব নেজানে। এটাইবোৰে গাকটো বৰ ওখকৈ মূৰৰ তলত লয়। ওখ গাকৰে মেৰুদণ্ড বেকাই গলধনটো বেকোৰা কৰি দিলে মূৰলৈ তেজৰ চলাচল সুকলমে নহয়। মূৰটো গলধনৰ আৰু বাজহাড়েৰে সমানে ওখ হৈ গাকত পৰি নাথাকিলে কেতিয়াও ভাল টোপনি আহিব নোৱাৰে।

•••

আমাৰ আগৰ ৰজা এড্‌বাৰ্ডৰ প্ৰধান ৰান্ধনিজনৰ নাম আছিল মুচো মেচাজৰ ( M. Messager ). তেওঁ বছেৰেকত ৩০,০০০ টকা অৰ্থাৎ মাহে ২৫০০ টকাকৈ দৰমহা পাইছিল।

•••

মেডেমইচেল কলিনেৰি ( Mlle, Collinere ) নামেৰে এজনী ফ্ৰেঞ্চ তিৰুতা আছে, তেওঁৰ কাম মদ চকা। পৃথিবীত যতবোৰ মদ-চকা মানুহ আছে এটাইতকৈ এওঁ ভাল। মদ প্ৰস্তুত কৰোঁতা আৰু বেচোঁতা সকলৰ পৰা, তেওঁ এই কাম কৰি, বছেৰেকত প্ৰায় ৯০০০০ টকা আৰ্জে। তেওঁ কিন্তু teetotaler অৰ্থাৎ সমূলী মদ নেখায় আৰু মদ মুখত লৈহে চাকে, নিগিলে। তেওঁ মদ জিভাত দিয়েই কব পাৰে,—কৰ মদ, কোনখন আঙুৰ বাগিছাৰ, আৰু সি পৰ্বত কাষৰ বাগিছাৰনে



ভৈয়ামৰ; তাত কিমান আন বস্তু মিহলি আছে, সি কিমান্ বছৰৰ আগেয়ে প্ৰস্তুত,—ইত্যাদি।

•••

আল্‌কাতৰা বা কোল-তাৰ। বেয়া-গোন্ধোৰা, কলা, এঠাএঠি তেলৰ এই বস্তুটো সকলোৱে দেখিছে। কিন্তু ইয়াৰ বুকুৰ ভিতৰত ইমানবোৰ এনে অতি আচৰিত বস্তু লুকাই আছে, যে তাৰ কথা শুনিলে অবাক হব লাগে। খেতৰ-সাইজ কৰোঁতাই সামাইন বস্তু এটাৰে পৰা নানা বস্তু উলিওৱাৰ দৰে, ৰসায়নিক্ বৈজ্ঞানিক-সকলে এই আল্‌কাতাৰাৰ পৰা এনেবোৰ নানাৰকমৰ বস্তু উলিয়াব লাগিছে যে সি সম্ভৱ বুলি ভাবনালৈ আহিবকে নোখোজে। অসম্ভৱ বৈজ্ঞানিক সকলৰ হাতত সম্ভৱ হৈছে। লা নেচৰ ( La-Nature ) নামেৰে বৈজ্ঞানিক কাকত এখনৰ কথা আমাৰ চেৰেক আমি তলত টুকি দিওঁ :—আলকাতৰাৰপৰা আমি অকল যে কলকাৰখানা ইত্যাদি চলাবৰ নিমিত্তে উত্তাপ আৰু শক্তি ( heat and power ) পোৱা যায় এনে নহয়, সভ্যতাৰ অনেক লাগতিয়াল আহিলা-পাতিৰ ই জনক-জননী। ইয়াৰপৰা বেন্‌জিন্ ( benzine ), টল্‌নিন ( tolnene ), বেন্‌জল ( benzol ), ফিনল ( phenol ) ক্ৰিচল ( cresol ), নেপ্‌থলিন্ (napthaline) এন্থ্ৰেচিন ( anthracene) হয়। বেন্‌জিনৰপৰা নাইট্ৰবেন্‌জিন (nitrobenzene) প্ৰস্তুত হয়। আৰু এই নাইট্ৰবেন্‌জিনেই মাৰ্‌বেন (marbaine ) আৰু বিটৰ আমণ্ড (bitter almonds) নামৰ বস্তু দুটা হয়, যি দুটা,সুগন্ধ "এচেন্স" প্ৰস্তুতৰ উপকৰণ, আকৌ এই বস্তুৰে পৰা কৃত্ৰিম নীল বৰণ (anilin বা বোগ প্ৰস্তুত হয়। টলুৱোনিৰ ( toulene ) পৰা আন আন অনেক উজ্জ্বল বৰণ তৈয়াৰ হয়। বেন্‌জিনৰপৰা ফিনল (phenol) পিক্‌ৰিক এচিড (picric acid) আৰু মেলিনাইট (melinite) হয়। টলুৱানিৰপৰা ত্ৰিনি এটলুয়েনি ( trinitro-toluene ) হয় যাক explosive shells অৰ্থাৎ ৰণত ব্যৱহাৰ কৰা হয়। ক্ৰিচল ( cresols ), ক্ৰিচলিট, নেপ্‌থলিনো বেছি শক্তিৰ ৰণত ব্যৱহাৰ হয়। বেনজিনৰপৰা essence of cinnamon অৰ্থাৎ দালচিনিৰ আৰক প্ৰস্তুত কৰাৰ খাই উপকৰণ পোৱা যায়। এই আল্‌কাতৰাকে নানাৰকম প্ৰণালীৰে হায়েচিন্স, ঠাইম, মস্ক্ ( কস্তুৰী ), জিৰোনিয়েম ইত্যাদি সুগন্ধি ফুলৰ এচেন্সৰ নিচিনা এচেন্সত পৰিণত কৰা হয়। কবলৈ কি আজি কালি বজাৰত যে নানাপ্ৰকাৰ "সদ্য প্ৰস্ফুটিত" ফুলৰ এচেন্স ওলায় তাৰ সৰহ

ভাগেই আলকাতৰাৰপৰা প্ৰস্তত;—ফুলৰ সম্পৰ্কই নাই। আজিকালিৰ নিত্য ব্যৱহাৰ্য্য দৰব, কাৰ্ব্বলিক এচিড, চেলিচিলিক, এচ্‌পিৰিণ ইত্যাদিও অনেক এই কোল্‌তাৰৰ সতিস তি। মুঠতে আল্‌কাতাৰাৰপৰা মনমুগ্ধকাৰী, শৰীৰ ধ্বংসকাৰী, দেশ নগৰ উছনকৰোতা আৰু ৰক্ষা কৰোতা ইমান পদাৰ্থ প্ৰস্তত হৈছে, যে ভাবিলে অবাক হব লাগে।

***

বিভীষণে শ্ৰীৰামচন্দ্ৰৰ আগত তিনটা শপত খাইছিল, তাৰে এটা—"যদি মই মিছা কথা কৈছোঁ, তেন্তে কলিত মই দীৰ্ঘায়ু হম।" য়ুৰোপৰ আজি কালিৰ ৰজা সকলৰ ভিতৰত এটাইতকৈ বুঢ়া আৰু বেছি দিন ৰাজত্ব কৰা ৰজা অষ্ট্ৰীয়াৰ সম্ৰাট। এই সম্ৰাটজনে তেওঁৰ জীৱনত যিমান শোক বেজাৰ পাইছে, কবলৈ বাকী নাই। শাও মানুহৰ গাত ফলিয়াই নে নফলিয়ায় কব নোৱাৰোঁ, কিন্ত এই সম্ৰাটৰ গাত শাও আচৰিত ৰকমে ফলিয়া দেখা গৈছে। ছজনী তিৰুতা মানুহে এওঁক শাও দিছিল, এজনীৰ নাম কাউন্টেচ্‌ কাৰলাই (Countess Karoleyi). এই কাউন্টেচ্‌ কান্দনায়ে ১৮৪৯ খৃষ্টাব্দত হঙ্গেৰীৰ বিদ্ৰোহত নানা অত্যাচাৰ লভি, অষ্ট্ৰীয়াৰ সম্ৰাটক এই দৰে শাও দিছিল—স্বৰ্গ আৰু নৰকে যেন সম্ৰাটৰ সুখ ধ্বংস কৰে। তেওঁ যেন নিৰ্ব্বংশ হয়। তেওঁ যাক ভাল পায়, যাৰ ওপৰত আশা কৰিছে, সেই আশা যেন ছেদ হয়। যেন তেওঁৰ জীবন আৰু তেওঁৰ লৰা-ছোৱালী ধ্বংস হয়।" আচৰিত কথা যে এই শাও সম্ৰাটৰ গাত ভালকৈ ফলিয়ালে। সিজনী তিৰুতাই শাও দি কৈছিল যে সম্ৰাটৰ জীৱনত তেৰটা ভয়ানক বিপদে তেওঁক পাপৰ শাস্তি দিব, আৰু শেহৰটোৰ দুবছৰৰ ভিতৰত তেওঁৰ অন্ত হব। ত্ৰয়োদশ বিপদেই চেৰাজিভোত (Serajevo) ঘটা হত্যাকাণ্ড যিটোৱেই বৰ্ত্তমান মহাযুদ্ধৰ গুৰি। সম্ৰাটৰ এই দীঘল ৬৮ বছৰ ৰাজত্ব কালত তেওঁ যিবোৰ শোক পাইছে তাৰ তুলনা বিচাৰি পোৱা টান। তেওঁৰ পৰিবাৰৰ ভিতৰত বিয়াৰ সম্পৰ্কে নানা কেলেঙ্কাৰী, আন নানা হাই কাজিয়া ইত্যাদি অসংখ্য অসুখ অশান্তিৰ বাহিৰেও, তেওঁৰ ভতিজা জীয়েক পুৰি মৰে, তেওঁৰ নিজৰ জীয়েক বিহত মৰে, তেওঁৰ ভায়েক মেক্সমিলানক (Maxmillan) মেক্সিকোত গুলিয়াই মাৰে, তেওঁৰ ভাইবোৱাৰী বলিয়া হয়, তেওঁৰ Cousin ভায়েক Ludwig of Bavaria বেভেৰিয়াৰ লডউইগে বলিয়া, খনো হৈ, শেহত আত্মহত্যা কৰে। তেওঁৰ এক মাথোন পুতেক ৰুডলফ্‌ (Rudulph) খুনী আৰু আত্মহত্যাকাৰী



হয়; তেওঁৰ ঘৈণীয়েক পানীত পৰি মৰিবলৈ চেষ্টা কৰে, আৰু তাৰ পিছত জেনিভাত (Geneva) ঘাতকৰ হাতত প্ৰাণ এৰে, তেওঁৰ খুলশালীয়েক পেৰিচৰ (Paris) ফেন্সি বজাৰত Fancy Bazar) পুৰি মৰে, তেওঁৰ কেলেঙ্কাৰি কৰাৰ পিছত দেশৰপৰা খেদা খায়; তেওঁৰ ভতিজাক আৰু উত্তৰাধিকাৰীয়ে গুপ্ত ঘাতকৰ হাতত প্ৰাণ এৰে।

—

## বাছনি।

(১)

জাপানৰ জেনেৰেল নোগীয়ে তলত লিখা উপদেশবোৰ জাপানী ছাত্ৰে পালিবলৈ লিখি থৈ গৈছিল :—

১। তোমাই নোহোৱাই অসাৰ কথা কৈ খুচুৰিবা। যি সদাই আগগুৰি নাইকিয়া কথা কৈ থাকে তাৰ মনটোও উকলিপুঙ্গাৰ দৰে।

২। তুমি যি বস্ত ভাল পোৱা তাক ভালকৈ চাবা। যাৰ চকুৰ ঠিক নাই তাৰ মনো ঠিক নাই। বিপদকালৰ কথা বেলেগ।

৩। যাক তুমি সন্মান কৰিব খুজিছা, তেওঁৰ গড়-গতি ভালকৈ চাবা;— সন্মানৰ পাত্ৰ নহবও পাৰে।

৪। লৰাই লৰাৰ নিচিনা কাম কৰিব লাগে। কেতিয়াও ভীৰু নহবা। তোমাৰ অন্তৰত উচ্চ আশা সদাই পালিবা।

৫। ৰবকৈ ধুন-পেচ নামাৰিবা। বহুমূলীয়া কাপোৰ নিপিন্ধিবা। বিলাসিতাই ধ্বংসৰ পথহে দেখুৱায়।

৬। চেঁচা হলে তপত বুলি ধৰি ল'বা আৰু তপত হলে চেঁচা বুলি ভাবিবা।

৭। কেতিয়াও ফটা কাপোৰ নিপিন্ধিবা। ফটা কাপোৰ পিন্ধাতকৈ লাজৰ কথা অইন একো নাই।

ভাল কাপোৰ নাপালে ফটাকে সি লবা—সিও বৰঞ্চ ভাল।

৮। লাজ কি শিকিবা। যাৰ লাজ নাই সি কণা পশুতকৈও অধম।

৯। যেতিয়া তোমাৰ শৰীৰ সুস্থ, তেতিয়া শাৰীৰিক পৰিশ্ৰম কৰিবলৈ নাপাহৰিবা। যেতিয়া নৰীয়া পৰা তেতিয়া বেজৰ কথামতে চলিবলৈ নেপাহৰিবা।

১০। তোমাৰ জোতা, কোট বা কাপোৰ সৰুকৈ নল'বা। সদাই ডাঙৰ জোতা পিন্ধিবা—গড়পিতলৈ মন দিব নালাগে।

১১। তোমাৰ দেশৰ উপকাৰ কৰিব পৰাকৈ শৰীৰ উপযোগী কৰিবা। তোমাৰ জন্মভূমিলৈ কেতিয়াও নাপাহৰিবা। দেশৰ মানুহক চেনেহ-চকুৰে চাবা। যি এনে কৰিব নোৱাৰে সি মৰি যোৱাই ভাল।

চলমনে কৈছিল, "জ্ঞানে গৌৰৱ বঢ়ায়; লাজে মূৰ্খৰ সংখ্যা বৃদ্ধি কৰে।"

পথ্যাপথ্য, শান্তি আৰু আনন্দই হৈছে মানুহৰ প্ৰধান বেজ।

মানুহক ভালপোৱাই ঈশ্বৰক ভাল পোৱা। এতেকে মানুহ মাত্ৰকেই ভালপোৱা উচিত।

তোমাৰ মনত উদাসভাবক কেতিয়াও আশ্ৰয় নিদিবা। উদাস অৱনতিৰ মূল।

বিশ্বাস মাপি অবিশ্বাসী নহ'বা। বিশ্বাসঘাতকতা মহাপাপ।

( ২ )

## প্ৰকৃত বন্ধু।

যি উপকাৰী, যি তোমাৰ সুখত সুখী, যি তোমাৰ দুখত দুখী, সমব্যথাত ব্যথী, যি সদুপদেশ আৰু সৎপৰামৰ্শ দাতা আৰু যি সহানুভূতি প্ৰকাশক।

যি বলিয়াক ৰক্ষা কৰে যি বলিয়াৰ সম্পত্তি ৰক্ষা কৰে, যি বিপন্নক আশ্ৰয় দিয়ে আৰু ব্যৱসায়ত যি এনেভাৱে সহায় কৰে যে তাৰ দ্বাৰা দুগুণ সম্পদ লাভ কৰিব পাৰি।

যি তোমাক তেওঁৰ অতি গোপনীয় কথা কয়, যি তোমাৰ গোপনীয় কথা প্ৰকাশ নকৰে। বিপদত যি তোমাক এৰি নাযায়, আৰু আৱশ্যক হলে, তোমাৰ নিমিত্তে তেওঁ প্ৰাণ পৰ্য্যন্ত পণ কৰিবলৈও প্ৰস্তুত থাকে।

যি তোমাক পাপৰপৰা আঁতৰায়, যি তোমাৰ মঙ্গল কামনা কৰে আৰু যি তোমাক স্বৰ্গপথ দেখুৱায়।

যি তোমাৰ অভাৱ দেখি আনন্দিত নহয়, যি তোমাৰ সম্পদ দেখি ৰং পায়;



কোনোবাই তোমাক নিন্দা কৰিলে যি মুখপাতি ধৰে আৰু কোনোবাই তোমাৰ গুণৰ কথা ক'লে যি আনন্দ প্ৰকাশ কৰে।

উপকাৰী, সমান সুখী দুখী, সদুপদেশদাতা, আৰু সহানুভূতি প্ৰকাশক—এই চাৰিজন মানুহক মাকে যেনেকৈ নিজৰ গৰ্ভজাত সন্তানক সদাই বুকুত বান্ধিবলৈ চায় জ্ঞানী লোকেও তেনেকৈ কায়মনোবাক্যে তেওঁবিলাকৰ লগ পাবলৈ বিচাৰি ফুৰে।

ৰঙৈতা।

---

# গদ্য কবিতা।

## এটা টিপচী চৰাই।*

মই চিকাৰৰ পৰা উভতি আহি ফুলনী বনৰ মাজেদি গৈ আছোঁ, কুকুৰটো মোৰ আগে আগে লৰি গৈছে।

হঠাতে সি মাক নাটিৰ পৰা আঁতৰি কিবা এটা ধৰিবলৈ যোৱাদি লাহে লাহে যাবলৈ ধৰিলে। গছৰ গুৰিডালৈদি চাই পঠিয়াওঁতে হালধীয়া ঠোঁটেৰে সৰু চৰাই পোৱালী এটা মোৰ আগতে মাটীত পৰি থকা দেখিবলৈ পালোঁ। সি অলপতে এতিয়া তাৰ বাঁহৰ পৰা বতাহত সৰি পৰিল। তেতিয়া বতাহ বৰ বেগেৰে বৈছিলে আৰু আৰৰ গছ গছনিবোৰ বতাহত কঁপিবলৈ ধৰিছিলে। সি মাটীত পৰি ছটফটাই তাৰ কাৰপাখী গজা পাখী দুখনেৰে মিছাকৈয়ে উৰিবলৈ চেষ্টা কৰিছিল।

মোৰ কুকুৰটো লাহে লাহে তাৰ ওচৰ পাইছিলগৈ কিন্তু এনেতে ওচৰৰ গছ এজোপাৰপৰা এটা চৰাই দলিটো আহিদি কুকুৰটোৰ আগতে পৰিলহি আৰু ভয়ত পাখী জোকাৰি চিঁয়ৰি চিঁয়ৰি বাৰেপতি কুকুৰটোৰ মুখৰ ওচৰলৈ বাগৰি যাবলৈ ধৰিলে। সি তাৰ পোৱালীটোক দেখি ধপাধপ কাৰণে গছৰ পৰা জাঁপ

---

* Tourgenev ৰ পৰা লিখা

মাৰি পৰিলে আৰু কুকুৰটোৰ আগত ছটফটাবলৈ ধৰিলে···চিৰদিনৰ বাবে তাৰ মাত ভাগি গৈছে···শেহত ভয়ত আধা মৰাহৈ পোৱালিটোক আঁৰ কৰি নিজকেই শত্ৰুৰ মুখত পেলাই দিলে। তাৰ মনত কুকুৰটো কি এটা ডাঙৰ ভীষণ ৰাক্ষসৰ দৰে বোধ হৈছিল। কিন্তু তথাপি সি নিজেই বিপদক চকুত থৈ গছৰ ওখ ডালটোত বহি থাকিব নোৱাৰিলে। তাৰ ইচ্ছাতকৈয়ো এটা প্ৰবল নেদেখা শক্তিয়ে তাক ওপৰৰ পৰা তললৈ নমাই আনিলে। মোৰ কুকুৰটোৱেও উচপথাই চমকি মান পিছ হুঁহকি আহি একেঠাইতে ৰ লাগি চাই আছিল—সিও সেই শক্তিটোক বুজিব পাৰিছিল।

মই সেই ভয় খোৱা কুকুৰটোক লৰালৰিকৈ তাৰ পৰা মাতি আনি ভক্তিপূৰ্ণ হৃদয়েৰে সেই থাই ডোখৰৰ পৰা গুচি আহিলোঁ, সচাকৈয়ে কথাটো উৰাই নিদিবা। সেই টিপচি চৰাইটোৰ প্ৰেমৰ এনে এটা আচৰিত শক্তি দেখি মোৰ হৃদয়ে আপোনা আপুনি সন্মানেৰে সৈতে তাৰ ওচৰত সেঁৱা থাই পৰিল। মই ভাবিলোঁ মৃত্যুতকৈয়ো প্ৰেম ডাঙৰ আৰু মৰণৰ ভয়তকৈয়ো প্ৰেমৰ শক্তি প্ৰবল। এই প্ৰেমতেই জীৱন চলি আছে আৰু এই প্ৰেমতেই জীৱনৰ উন্নতি।

সচাকৈয়ে—

"প্ৰেমত ঘূৰিছে ভূমণ্ডল
প্ৰেমত ফুলিছে শতদল।"

## এটা ভগা দ'ল।

নৈৰ পাৰেদি ঘৰলৈ যোৱাৰ বাটৰ ওচৰতে ভগা দলটো, তাৰ চাৰিও কাষে হাবি। দ'লৰ ভিতৰত একো নাই, তাৰ একাল ভাগি খহি মাটীত পৰিছে। কিন্তু সেই পুৰণি আহত গছ জোপাই সহস্ৰ শিপাৰে ছাটি পেলাই বুকুৰ মাজত ধৰি থকাৰ দৰে তাক ধৰি আছে।

কোনেও তাৰ ভিতৰলৈ নেযায়—ভিতৰলৈ যোৱা দূৰত থাওক তাৰ কাষেদিও নেযায়। মাজে মাজে ৰাতি হ'লে তাত শিয়ালে মহাহ পাতে। কেতিয়াবা দিনত [illegible] এজনী [illegible] তাৰ ভগা [illegible] ওপৰত [illegible] বহি থাকে।



ঘৰলৈ আহিছিলোঁ, আহোঁতে দেখিলোঁ যে এনে বৰষুণৰ মাজতো দলটো ঠিয় হৈ আছে কিন্তু বোধ হ'ল যে সি বেচি দিন আৰু এনেদৰে থাকিব নোৱাৰে অলপতে যেন ভাগি মাটীত পৰিব। আইত গছজোপাৰ হাজাৰ বান্ধোনেও তাক ৰাখিব নোৱাৰিব গছজোপা বতাহত লৰি আছে। কচুপাত মোৰৰ ওপৰত পানী পৰি অলপ পৰ টলবল্ কৰি থাকি আকৌ মাটীত বাগৰি পৰিছে। বতাহৰ লগতে সাপে ধৰা বেঙ এটাৰ করুণ কান্দোন উৰি অহা শুনিবলৈ পাইছিলোঁ. নৈখনৰ পানী খোৰ বতাহত লৰিবলৈ ধৰিছে। মই দ'লটো পিছত এৰি বৰষুণতেই গৈ আছিলোঁ। অলপমান আগ বাঢ়োতেই মোক যেন কোনোবাই পিছৰ পৰা মতা শুনিবলৈ পালোঁ, উভতি চালোঁ, একো নেদেখিলোঁ। আকৌ যাবলৈ ধৰিলোঁ—কিন্তু আকৌ যেন কাণৰ ওচৰত কোনোবাই নাম কাঢ়ি মতা শুনিবলৈ পালোঁ।

চকুৰ আগত কাকো দেখিবলৈ নেপালোঁ অথচ বোধ হ'ল যেন মোক কিবা এটাই টানিবলৈ ধৰিছে, মই তাৰ পিছে পিছে আহিবলৈ ধৰিলোঁ।

আকৌ এবিগই অহা বাটটোৱে আহি ভগা দলটোৰ ওচৰ পালোঁহি। তাতে যেন কোনবাই মোক ঠিয় হৈ থাকিবলৈ ক'লে।

মই তাতে ঠিয় হৈ আছিলোঁ। [illegible] কথা পাতিছিলোঁ নে নাইপতা ক'ব নোৱাৰোঁ কিন্তু মই হ'লে [illegible] কথা শুনিবলৈ পাইছিলোঁ।

কিছুমানপৰ তেনে দৰে ঠিয় হৈ থাকোঁতে গোটেই গাটো বৰষুণত তিতিল তেতিয়া মনত হ'ল মই বলিয়াৰ দৰে কি যে এনেকৈ এডোখৰ থাইত অকলে ঠিয় হৈ তিতি থাকিম। মোক কোনে ইয়াত থাকিবলৈ কৈছিল?

তেতিয়া যেন কোনোবাই মোৰ সন্মুখলৈ আহি বতাহৰ লগত সুৰ মিলাই কলেহি "মই"।

তেতিয়াও সেই সাপে ধৰা বেঙটোৰ মাত শেষ হৈ অহা শুনিবলৈ পাইছিলোঁ। চাৰিওফালে চাই কাকো নেদেখিলোঁ, কেৱল বাটটোৰ ওপৰেদি পানী বাগৰি গৈছিল। তেতিয়া মোৰ মনৰ ভাব কেনে হৈছিল ক'ব নোৱাৰোঁ কিন্তু এইটো বেছ মনত আছে যে মই লাহে লাহে চকুৰে কম দেখিবলৈ ধৰিছিলোঁ। কিছুমান পৰৰ মূৰত দেখিলোঁ যে তাত [illegible] নাই। মাথোন মই আছোঁ আৰু মোৰ সন্মুখত সেই ভগা দ'লটো [illegible] ঠিয় হৈ আছে।

## আনন্দ।

গোটেই ৰাতিটো বৰষুণ হৈ গ'ল। পুৱা যেতিয়া শুই উঠি গাৰ্দৰ মাজেদি জুৰিবলৈ আহিলোঁ তেতিয়া কাৰো টোপনি ভগা নাছিল।

গছবোৰ গোটেই ৰাতিটো তিতি এতিয়া লৰচৰ নোহোৱা কৰি ঠিয় হৈ আছে। পুখুৰীটোৰ পুনিবোৰ এদতীয়া হৈ আঁতৰি যোৱাত মাজত পানী টোপা ফটফটীয়াকৈ ওলাই পৰিছিল। নতুন পানী পাই মাছবোৰ উলাহতে খলখলাই ফুৰিছিল।

আকাশৰপৰা ডাৱৰ অঁতৰা নাই। লাহে লাহে বতাহত ধোঁৱাৰ দৰে উৰি উৰি এখন কলা ঢাকনীৰে আকাশখন ঢাকি পেলালে। চাৰিওফালে নিমাত নীৰৱ। এতিয়ালৈকে কোনেও সাৰ পোৱা নাই। মই মাথোঁন অকলে অকলে ভূতৰ দৰে হৈ আছোঁ।

অলপমান দূৰত এজোপা শিমলুগছ নিতাল মাৰি গহীন ভাবেৰে ঠিয়হৈ আছে। তলতে এখন মৰিশালী—কিছুমান ভগা কলহ, পোড়া কাঠ আৰু চুডোখৰ এডোখৰ ফটা কানী মাথোঁন তাত পৰি আছে। সেই মৰিশালী খনৰ একুৰত অলপমান পানী বন্দ হৈ আছে। তাতে ছটামান ভেকুলীয়ে মনৰ আনন্দেৰে ডিঙি মেলি মেলি মাতিবলৈ ধৰিছে। ওচৰৰ বিৰিভা জোপাবিলাকৰপৰাও কিছুমান ফৰিং আৰু কুমতি ইত্যাদিয়ে সুৰ মিলাই সেই গানতে যোগদান দিছেহি।

চাৰিওফালে বিষাদৰ চিন, বতাহেও যেন বেজাৰতে হুমুনীয়া কাঢ়িছেহি—কিন্তু সেই ভেকুলী আৰু পোকবিলাকে এই বিষন্নতাৰ মাজতে কি আনন্দৰ বজাৰ পাতিছেহি! সিহঁতৰ কি উলাহ! পৃথিবীত যেন সিহঁতেই মাথো ৰজা।

কথাটো দেখি মোৰো মনত খেলালে যে আমিও ঠিক তেনেকৈয়ে টোপনীত অৱসন্ন বিষাদময় দুদিনীয়া পৃথিবীৰ একুৰত সাৰ পাই উঠি মনৰ আনন্দেৰে সুদিনৰ কাৰণে জগতত কোড়াল লগাই দিছোঁ—যেন সংসাৰ গোটেইখন আমাৰেই, গোটেই পৃথিৱী খনৰ যেন আমাৰ ৰাজত্ব আৰু আমি যেন গোটেই পৃথিৱীখনৰে ৰজা।

শ্ৰীযতীন্দ্ৰনাথ দুৱৰা।

---